অধ্যায় ১০ঃ স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ২

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ চুটিগল্প
১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৫ অধিক জানিবলৈ
১০.৬ অগ্রগতিৰ খতিয়ান
১০.৭ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্বাধীনতাৰ পৰৱৰ্তীকালৰ অসমীয়া চুটিগল্পৰ গতি-প্রকৃতি সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- স্বাধীনতাৰ পৰৱৰ্তীকালত কোন কোন গল্পকাৰে অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছিল সেই বিষয়ে সেই বিষয়ে অৱগত হ'ব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য সম্পর্কে অধ্যয়ন কৰিলে। সেই অধ্যায়টোত আপুনি নিশ্চয় মন কৰিলে যে আলোচ্য সময়ছোৱাৰ ৰাজনৈতিক পৰিৱর্তনে অসমীয়া সমাজ জীৱনক যিমান প্রভাৱিত কৰিছে তাতকৈ বেছি পৰিৱর্তন সাধন হৈছে অসমীয়া মানুহৰ আর্থ-সামাজিক তথা মানসিক জগতখন। তদুপৰি বিভিন্ন সময়ত উন্মোচিত হোৱা সহিত্যতত্ত্ব, শিল্প সংৰচনাত আহি পৰা নতুন নতুন দৃষ্টিভংগী আদিয়েও অসমীয়া সাহিত্যৰ ৰচনা ৰীতিৰ দিশত গভীৰ প্রভাৱ বিস্তাৰ কৰিছে। সেই অধ্যায়টোতে আপুনি আলোচ্য সময়ছোৱাৰ আধুনিক অসমীয়া কবিতা সম্পর্কেও বিস্তৃতভাৱে অধ্যয়ন কৰিলে।

এই অধ্যায়টোত আপুনি স্বাধীনতাৰ পৰৱৰ্তীকালৰ অসমীয়া চুটিগল্প সম্পর্কে অধ্যয়ন কৰিব। এই অধ্যায়টিৰ অধ্যয়নে আপোনাক তদানীন্তন কালৰ অসমীয়া চুটিগল্প সম্পর্কে সম্যক ধাৰণা প্রদান কৰাৰ লগতে কোন কোন গল্পকাৰৰ হাতত অসমীয়া চুটিগল্পই এই সময়ছোৱাত নব্য ৰূপ লাভ কৰিলে সেই বিষয়ে অৱগত হ'ব।

১০.৩ চুটিগল্প

স্বৰাজোত্তৰ কালত অসমীয়া চুটিগল্পই অধিক সমৃদ্ধিশালী ৰূপত আত্মপ্রকাশ কৰে। 1951 চনৰ পৰা প্রকাশ পোৱা *ৰামধেনু* আলোচনীখনে এই ক্ষেত্রত বিশেষভাৱে উল্লেখনীয় ভূমিকা গ্রহণ কৰিছিল। প্রগতিশীল *জয়ন্তী* কাকতৰ বুকুতেই এই পৰিক্রমাৰ আৰম্ভ হৈছিল যদিও *ৰামধেনু* আলোচনীৰ পাততহে ই অধিক জনপ্রিয় তথা বিস্তাৰিত হৈ উঠে। অৰুণোদয় পৰৱর্তীকালতে প্রতিষ্ঠা লাভ কৰা দুই-এক গল্পকাৰৰ লগত স্বৰাজোত্তৰ যুগত আত্মপ্রকাশ কৰিলে এচাম নতুন গল্পকাৰে। এওঁলোকে বিভিন্ন ন ন আংগিক তথা বিষয়বস্তুৰে অসমীয়া চুটিগল্পক আৰু সমৃদ্ধ কৰি তোলে। আমাৰ এই আলোচনাটি আমি দুটা ভাগত ভাগ কৰি প্রস্তুত কৰিব বিছাৰিছোঁ — প্রথম পর্যায়টো হ'ল দেশে স্বাধীনতা পোৱাৰ পৰা ১৯৭০ চনলৈ বিস্তৃত আৰু দ্বিতীয়টো পর্যায় হ'ল ১৯৭০ চনৰ পৰা ২০০০ চনলৈ।

ৰামধেনু কাকতখনক কেন্দ্র কৰি সৃষ্টি হোৱা গল্পকাৰসকলে পূর্বৰ গল্পকাৰসকলৰ ৰোমাণ্টিক দৃষ্টিভংগীৰ পৰিৱর্তে বাস্তৱমুখী চিন্তা-চেতনাৰে উদ্বুদ্ধ হৈ গল্প ৰচনাত আত্মনিয়োজন কৰিলে। মহাসমৰে সাধন কৰা প্রাচীন তথা পৰম্পৰাগত মূল্যবোধৰ পৰিৱর্তন আৰু স্বাধীনতাৰ অব্যৱহিত পৰৱর্তী কালছোৱাত সমাজ জীৱনত দেখা দিয়া অর্থনৈতিক বৈষম্য, শোষণ, পীড়ন, অনাচাৰ, ভ্রষ্টাচাৰ, দুর্নীতি আদিয়ে গল্পকাৰসকলক ভাববিলাসিতা পৰিহাৰ কৰি বাস্তৱমুখী হোৱাত ইন্ধন যোগালে। মার্ক্সীয় দর্শন আৰু ফ্রয়েদীয় মনস্তত্ত্বৰ দ্বাৰা তেওঁলোক প্রভাৱান্বিত হ'ল। কোনো কোনো গল্পকাৰে সমাজ ব্যৱস্থাৰ ৰূপান্তৰ সাধনৰ বাবে মার্ক্সীয় আদর্শৰ আলোকত শ্রেণী সংগ্রামৰ প্রযোজনীয়তা অনুভৱ কৰিলে। গল্পত যৌন জীৱনৰ ছবি ফুটাই তুলিবৰ নিমিত্তেও কোনো কোনো গৰাকী গল্পকাৰ যত্নবান হ'ল। এনেদৰে স্বৰাজোত্তৰ কালৰ গল্পত বিষয়বস্তু বা ভাববস্তুৰে অভিনৱত্ব লাভ কৰাৰ লগতে গল্পৰ আংগিকৰ দিশতো বিচিত্রতা পৰিস্ফুট হ'ল। উল্লিখিত সময়ছোৱাত *ৰামধেনুৰ* লগতে *পঞ্চতন্ত্র* আৰু *মণিদীপ* শীর্ষক আলোচনী দুখনেও চুটিগল্পক বিস্তৃতি দানত অৰিহণা যোগালে।

স্বৰাজোত্তৰ কালত সর্বাধিক খ্যাতি লাভ কৰা গল্পকাৰ আব্দুল মালিকে দৰাচলতে *আৱাহন* কাকতখনত জৰিয়তে আত্মপ্রকাশ কৰিছিল। মালিক অসমীয়া চুটিগল্পৰো মালিক। প্রাক্-স্বাধীনতা আৰু উত্তৰ-স্বাধীনতা কালৰ অসমীয়া চুটিগল্পৰ মাজত তেওঁ যেনিবা সংযোগ হেতুহে। মালিক ঔপন্যাসিকো। তেওঁ ৰচিত তিনিকুৰিৰো অধিক উপন্যাস ইতিমধ্যে প্রকাশিত হৈছে। মালিকৰ গল্পৰ বিষয় বৈচিত্র্য আৰু আংগিক বৈচিত্র্য লক্ষ্য কৰিবলগীয়া। তেওঁৰ আদি স্তৰৰ সৰহ সংখ্যক গল্পৰ বিষয়বস্তু প্রেম আৰু যৌনতা সম্পর্কীয়। এনেবিলাক গল্পত তেওঁৰ অভিজ্ঞতাৰ স্বাক্ষৰ আছে, কিন্তু সেই অভিজ্ঞতাক উপলব্ধিৰ স্তৰলৈ উত্তোলন কৰাৰ চেষ্টা নাই। এনে গল্পবিলাকৰ নিমজ আৰু সাৱলীল ভাষাই চুম্বকৰ দৰে পাঠকক আকর্ষণ কৰে। মালিকে সমাজ জীৱনৰ পটভূমিতো একাংশ গল্প ৰচনা কৰিছে। তেওঁৰ পিছৰ কালৰ সৰহ ভাগ গল্পত সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আদি নানান দিশৰ বিবিধ সমস্যা-সংঘাত বিধৃত হৈছে।

অসহায়, নিপীড়িত আৰু লাঞ্ছিতজনৰ প্ৰতি সহানুভূতিশীলতাৰে তেওঁৰ ভালেসংখ্যক গল্প মানৱকেন্দ্ৰিক নৈতিকতা আৰু উদাৰতাৰে সিক্ত। তেওঁৰ শেষৰ ফালৰ গল্পত কলা গুণেৰে সমৃদ্ধ হৈ প্ৰকাশিত হৈছে। সমালোচক উপেন্দ্ৰনাথ শৰ্মাই কোৱাৰ দৰে— "মানুহৰ দুৰ্বলতাৰ প্ৰতি অনুকম্পা, বেদনাবোধ আৰু অসহায় মানুহৰ প্ৰতি আত্মীয়ৰ গুণত সাম্প্ৰতিক কালৰ সৰ্বাধিক জনপ্ৰিয় ঔপন্যাসিকজন এতিয়াও এজন আগশাৰীৰ গল্পকাৰ।" *পৰশমণি, ৰঙাগড়া, মৰহা পাপৰি, মৰম মৰম লাগে, এজনী নতুন ছোৱালী, শিল আৰু শিখা, শিখৰে শিখৰে, ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ, বহুত বেদনা, এটোপাল চকুলো, প্ৰাণাধিকা, পোৱা গাঁওত পহিলা বহাগ* আদি মালিকৰ প্ৰকাশিত গল্পপুথি।

ৰামধেনু কাকতৰ যোগেদি প্ৰতিষ্ঠা লাভ কৰা গল্পকাৰসকলৰ ভিতৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ স্থান আগশাৰীত। তেওঁ ঔপন্যাসিক হিচাপেও প্ৰখ্যাত। জ্ঞানপীঠ বঁটা বিজয়ী এইগৰাকী লেখকৰ সামাজিক দায়বদ্ধতা মজ্জাগত। তেওঁৰ গল্পত সামাজিক আৰু ৰাজনৈতিক দিশৰ বৈচিত্ৰ্যপূৰ্ণ ঘটনা কলাত্মক ৰূপত বিধৃত হৈছে। জৈৱিক সমস্যাৰ আধাৰতো তেওঁ কেইটামান সাৰ্থক গল্প ৰচনা কৰিছে। এনে গল্পত ফ্ৰয়েদীয় মনস্তত্ত্বৰ প্ৰভাৰ সহজে অনুমেয়। গ্ৰাম্য পটভূমিত ৰচনা কৰা তেওঁৰ একাংশ গল্পৰ বৰ্ণনা ঠায়ে ঠায়ে কাব্যিক। ভট্টাচাৰ্য সংযমী গল্পকাৰ। তেওঁৰ ভাষা ৰীতি অজটিল আৰু কথনৰীতি আবেদনশীল। *কলং আজিও বয়* আৰু *সাতসৰী* তেওঁৰ উল্লেখযোগ্য গল্পপুথি। যোগেশ দাস ৰামধেনু যুগৰ আন এগৰাকী প্ৰসিদ্ধ গল্পকাৰ। *পপীয়া তৰা, আন্ধাৰৰ আঁৰে আঁৰে, ত্ৰিবেণী, হেজাৰ লোকৰ ভিৰ, পৃথিৱীৰ অসুখ* আদি তেওঁৰ প্ৰকাশিত গল্পপুথি। *পৃথিৱীৰ অসুখ* পুথিখনৰ বাবে তেওঁ অকাদেমি বঁটা লাভ কৰে। দাস ঔপন্যাসিক হিচাপেও প্ৰখ্যাত। সহজ-সৰল আৰু সাৱলীল ভাষাৰে চহৰীয়া আৰু গাঁৱলীয়া জীৱনৰ পটভূমিত ৰচনা কৰা দাসৰ অধিক সংখ্যক গল্পই শিল্পগুণেৰে সমৃদ্ধ। তেওঁৰ দ্বাৰা চিত্ৰিত চৰিত্ৰসমূহ প্ৰাণৱন্ত আৰু স্পষ্ট। সহজ সৰল জীৱনৰ প্ৰতি তেওঁৰ মোহ অপৰিসীম। তেওঁৰ আদিছোৱাৰ একাংশ গল্পত ফুটাই তোলা ব্যক্তিজীৱনৰ নৈতিক অধঃপতনৰ চিত্ৰ প্ৰত্যয়শীল আৰু চিত্তস্পৰ্শী। দাসৰ 'গদাধৰ টি ষ্টল', 'কলপটুৱাৰ মৃত্যু', 'পূজাৰ ফুল', 'পৃথিৱীৰ অসুখ' আদি গল্পৰ আবেদনশীলতা অবিস্মৰণীয়। *ৰামধেনুৰ* জৰিয়তে প্ৰতিষ্ঠিত আন এগৰাকী গল্পকাৰ হ'ল মহিম বৰা। সংযত আৰু প্ৰতীকী ব্যঞ্জনাৰে সমৃদ্ধ বৰ্ণনাৰে জীৱনৰ একো একোটি সাধাৰণ অথচ তাৎপৰ্যপূৰ্ণ ঘটনাৰ শৈল্পিক ৰূপদানত বৰাৰ দক্ষতা তুলনাতীত। হাস্যৰস সৃষ্টিৰ ক্ষেত্ৰতো তেওঁৰ কৃতিত্ব মন কৰিবলগীয়া। তেওঁৰ গল্পৰ চৰিত্ৰসমূহ বাস্তৱানুগ। গল্পৰ পৰিবেশ ৰচনাৰ ক্ষেত্ৰতো তেওঁৰ নৈপুণ্য লক্ষ্য কৰিবলগীয়া। *কাঠনিবাৰী ঘাট, বহুভুজী ত্ৰিভুজ, মই, পিপলি আৰু পূজা, এখন নদীৰ মৃত্যু, ৰাতি ফুলা ফুল* আদি বৰাৰ প্ৰকাশিত গল্প সংকলন।

লক্ষ্মীনন্দন বৰা এই সময়ৰে আন এগৰাকী সুদক্ষ গল্পকাৰ। তেওঁ ঔপন্যাসিক হিচাপেও প্ৰতিষ্ঠিত। *দৃষ্টি ৰূপক, মন-মাটি-মেঘ, অচিন কইনা, কঠিন মায়া, মাজত তৃষাৰ নৈ, গোপন গধূলি, এৰাবাৰীৰ লেছেৰী* আদি বৰাৰ প্ৰকাশিত গল্পপুথি। তেওঁৰ গল্পত অসমৰ গ্ৰাম্য সমাজ জীৱনৰ চিত্ৰ সম্যকভাৱে প্ৰতিফলিত হৈছে। গঞ্জালোকৰ সুখ-দুখ, আশা-আকাংক্ষা, প্ৰেম-

প্রীতি, দয়া-ক্ষমা, ঈর্ষা-অসূয়া আদিৰ চিত্রণ-বর্ণনত বৰাৰ কুশল হস্তৰ পৰিচয় পোৱা যায়। তেওঁৰ কোনো কোনো গল্পত মানুহৰ নৈতিক স্খলনৰ চিত্রও পৰিস্ফুটিত হৈছে। স্বাধীনতাৰ অব্যৱহৃত পৰৱর্তী কালৰ বলিষ্ঠ লেখক-সাংবাদিক হোমেন বৰগোহাঞিও গল্পকাৰ স্বৰূপে প্রতিষ্ঠিত *ৰামধেনু* আলোচনীৰ জৰিয়তে। তেওঁৰ আদি স্তৰৰ গল্পত ফ্রয়েদীয় মনস্তত্ত্ব আৰু অস্তিত্ববাদী দর্শনৰ প্রভাব গভীৰ। তেওঁৰ একাংশ গল্পত উদণ্ড, কামনাপ্ররণ, ভ্রষ্টাচাৰী পুৰুষ আৰু পতিতা, বেশ্যা, ব্যাভিচাৰিণী নাৰীৰ চৰিত্র চিত্রিত কৰি সিহঁতৰ জঘন্য, নাৰকীয় কার্য-কলাপৰ সংযোগত জীৱনৰ নিগূঢ় সত্যৰ সন্ধান কৰিবলৈ প্রয়াস কৰা দেখা যায়। পিছৰ কালছোৱাত তেওঁৰ দ্বাৰা ৰচিত গল্পত প্রকাশ পোৱা বাস্তৱ চেতনা বলিষ্ঠ আৰু তাৎপর্যপূর্ণ। তেওঁৰ কোনো কোনো গল্পত সমাজৰ দুর্বল শ্রেণীটোৰ ওপৰত চলোৱা নির্যাতন আৰু পাশৰিক অত্যাচাৰৰ বর্ণনা মর্মস্পর্শী। বৰগোহাঞিয়ে 'হাতী'ৰ দৰে দুই-চাৰিটা প্রতীকধর্মী, সার্থক গল্পও ৰচনা কৰিছে। তেওঁৰ ভাষা সাৱলীল, স্থান বিশেষে অলংকাৰপূর্ণও। *বিভিন্ন কোৰাছ, প্রেম আৰু মৃত্যুৰ কাৰণে* আদি বৰগোহাঞিৰ উল্লেখযোগ্য গল্পপুথি। তেওঁ ঔপন্যাসিক হিচাপেও সুপ্রসিদ্ধ। *পিতা-পুত্র* উপন্যাসৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা লাভ কৰিছে। মেদিনী চৌধুৰীও এই সময়ছোৱাৰ আন এগৰাকী খ্যাতিমন্ত গল্পকাৰ। চৌধুৰী সমাজ সচেতন গল্পকাৰ। তেওঁৰ গল্পত চিত্রিত হৈছে গাঁৱলীয়া লোকৰ নানান সমস্যা-সংঘাতৰ চিত্র। তেওঁৰ কোনো কোনো গল্পত কলাত্মক সৌন্দর্যৰ অভাৱ ঘটিলেও সমাজ বাস্তৱৰ নিখুঁত চিত্র হিচাপে সিবিলাকে পাঠকৰ মন আকর্ষণ কৰে। এই সময়ৰে আন এগৰাকী গল্পকাৰ ৰোহিণী কাকতিৰ গল্পত সমসাময়িক মধ্যবিত্ত শ্রেণীৰ জীৱন চিত্রণ আবেদনশীল। ব্যক্তিজীৱনৰ সমস্যা ৰূপায়ণৰ প্রতি তেওঁৰ বিশেষ মোহ। কাকতিৰ গল্প কোৱাৰ ভংগী সৰল। *এজাক এন্ধাৰ* আৰু *কুৎসিৎ* তেওঁৰ দ্বাৰা ৰচিত আৰু প্রকাশিত গল্পপুথি।

ভবেন্দ্রনাথ শইকীয়া আলোচ্য সময়ছোৱাৰ অন্যতম শ্রেষ্ঠ গল্পকাৰ। শইকীয়াৰ গল্পৰ উপস্থাপন আকস্মিক আৰু পর্যবেক্ষণ সূক্ষ্ম। নাৰী-পুৰুষৰ দৈনন্দিন জীৱনৰ খুঁটি-নাটিক তেওঁ হৃদয় সংবেদ্য ৰূপত গল্পত তুলি ধৰে। পৰিৱেশ-পৰিস্থিতি চিত্রণতো শইকীয়াৰ দক্ষতা অসামান্য। তেওঁৰ গল্পৰ সৰহ সংখ্যক চৰিত্রই নিম্নবিত্ত অথবা নিম্ন-মধ্যবিত্ত শ্রেণীৰ। এনেবিলাক চৰিত্রাংকনত তেওঁ সততে গ্রহণ কৰে বাস্তৱ দৃষ্টিভংগী। শইকীয়াই তেওঁৰ গল্পত সমাজ জীৱনৰ কোনো জটিল সমস্যা তুলি নধৰে। কোনো তত্ত্বও তেওঁৰ গল্পত নিহিত হৈ নাথাকে। তেওঁৰ গল্পত বিষয়বস্তু অথবা ভাববস্তুৰ বৈচিত্র্য নাই; কিন্তু কথনভংগীৰ মাধুর্য আছে। ত্রৈলোক্যনাথ গোস্বামীয়ে ক'বৰ দৰে— "ভবেন্দ্রনাথ শইকীয়াৰ গল্পই পাঠকৰ মনত আনন্দৰ সঞ্চাৰ কৰিব পাৰে। গল্পবোৰৰ মাজত ভাবৰ সংলগ্নতা আৰু বর্ণনাৰ সম্মোহন আৰম্ভণিৰ পৰা শেষলৈকে ৰক্ষিত হৈছে।" শইকীয়াৰ প্রকাশিত গল্পপুথিসমূহ হ'ল—*প্রহৰী, গহুৰ, বৃন্দাবন, সেন্দূৰ, শৃংখল, ভবেন্দ্র নাথ শইকীয়াৰ শ্রেষ্ঠ গল্প, সান্ধ্য ভ্রমণ,* ইত্যাদি। তেওঁ *সেন্দূৰ* পুথিৰ বাবে প্রকাশন পৰিষদ বঁটা আৰু *শৃংখলৰ* বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰে।

এই সময়ৰ আন এগৰাকী বিশিষ্ট গল্পকাৰ চন্দ্রপ্রসাদ শইকীয়া। শইকীয়াৰ সৰহ সংখ্যক

গল্পতেই নৈতিক আদর্শ মূর্ত হৈ উঠিছে। তেওঁৰ গল্পত চিত্রিত চৰিত্রসমূহ আদর্শপৰায়ণ, নীতিবাদী আৰু ধীৰ-স্থিৰ। তেওঁৰ গল্পৰ চৰিত্রসমূহৰ একাংশ নগৰীয়া মধ্যবিত্ত শ্রেণীৰ। এই চৰিত্রসমূহক স্পষ্ট আৰু সংবেদনশীল ৰূপত উপস্থাপন কৰিবলৈ তেওঁ যত্নবান। শইকীয়াৰ চৰিত্র চিত্রণত অন্তর্দৃষ্টি আৰু পর্যবেক্ষণশীলতাৰ পৰিচয় পোৱা যায়। *মায়ামৃগ, এদিন, নাচপতি ফল, অংগীকাৰ* আদি তেওঁৰ প্রকাশিত গল্প সংকলন।

ৰামধেনুত প্রকাশিত 'অশান্ত ইলেক্ট্রন' শীর্ষক দীঘলীয়া গল্পটোৰে আলোড়নৰ সৃষ্টি কৰা এই কালছোৱাৰ গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ প্রতিভা অনতিক্রম্য। তেওঁৰ গল্প কোৱা ৰীতি অভিনৱ আৰু তাৎপর্যপূর্ণ। তেওঁৰ কোনো কোনো গল্পত জীৱন দৃষ্টিৰ গভীৰতা আৰু কোনো কোনো গল্পত সমাজ সচেতনতাৰ ছাপ স্পষ্ট। চলিহাৰ গল্পৰ বিষয়বস্তু বা ভাববস্তুৰ বৈচিত্র্য আৰু প্রকাশৰীতিৰ অভিনৱত্ব মনকৰিবলগীয়া। গাল্পিক উৎকণ্ঠা সৃষ্টিত তেওঁ অবিস্মৰণীয়ভাৱে সফল। আধুনিক জীৱনৰ জটিলতা, আত্মকেন্দ্রিকতা, নিঃসংগতা আৰু বিশৃংখলতা তেওঁৰ একাংশ গল্পত তাৎপর্যপূর্ণভাৱে প্রতিফলিত হৈছে। তেওঁৰ 'গোলাম'ৰ নিচিনা একাংশ গল্পত ব্যংগৰ সার্থক প্রয়োগ ঘটিছে। অসমীয়া চুটিগল্পত সৌৰভ কুমাৰ চলিহাই পোনতে আধুনিকতাবাদৰ উদ্ভৱ আৰু বিস্তাৰ ঘটায়। হোমেন বৰগোহাঞিৰ ভাষাত— "সৌৰভ কুমাৰ চলিহাৰ গল্পত আধুনিকতাবাদৰ সূচনা হৈছে।" ব্যঞ্জনাত্মক বিন্যাস ৰীতি, প্রতীক-চিত্রকল্পৰ প্রয়োগ, দৃষ্টিৰ অন্তর্মুখিতা আৰু মনস্তাত্ত্বিক বিশ্লেষণ আদিৰ সংযোগত চলিহাৰ গল্পই প্রকৃতার্থত আধুনিকতাবাদী গল্পৰ ৰূপ পৰিগ্রহ কৰিছে। *অশান্ত ইলেক্ট্রন, দুপৰীয়া, গোলাম, এহাত ডাবা* আদি চলিহাৰ উল্লেখযোগ্য গল্পপুথি। *গোলাম* গল্পপুথিৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা লাভ কৰে। এই সময়ছোৱাত প্রতিষ্ঠা লাভ কৰা গল্পকাৰ বীৰেশ্বৰ বৰুৱাৰ প্রকাশিত গল্পপুথি— *প্রথম ৰাগিনী, নীলিমাৰ মন, বনহৰিণী, প্রাচীৰ* আৰু *প্রতিচ্ছবি*। বৰুৱাৰ গল্প কোৱা ৰীতিত বৈচিত্র্য আছে। তেওঁৰ একাংশ গল্পত ৰোমাণ্টিক চেতনাৰ প্রকাশ মন কৰিবলগীয়া। দুই এটা গল্প ৰূপকধর্মীও। বৰুৱাই তেওঁৰ কোনো কোনোটো গল্পৰ চৰিত্রাংকনত অন্তর্দৃষ্টিৰ পৰিচয় দিছে।

এই কালছোৱাত জনপ্রিয়তা অর্জন কৰা গল্পকাৰ পদ্ম বৰকটকীৰ প্রকাশিত গল্পপুথি হ'ল— *অশ্লীল, বীতাৰ প্রেম, বিয়াৰ প্রথম নিশা,* ইত্যাদি। বৰকটকীৰ গল্পত সমাজ জীৱন চেতনাৰ ছাপ আছে। অর্থনৈতিক বৈষম্য আৰু নানান কুসংস্কাৰ আৰু অন্ধবিশ্বাসেৰে আচ্ছন্ন সমাজ-জীৱনৰ স্বৰূপ তেওঁৰ ভালেমান গল্পত উদঙাই দেখুওৱা হৈছে। বৰকটকীৰ একাংশ গল্পত প্রেম আৰু যৌনতাৰ চিত্রও পৰিস্ফুটিত হৈছে। অৱশ্যে এনে চিত্র ঠাইবিশেষে কলাগুণ বর্জিত আৰু স্থূল। তেওঁৰ গল্পত ব্যংগ-বিদ্রূপৰ প্রয়োগো সুলভ। এই সময়ৰ আন এগৰাকী জনপ্রিয় গল্পকাৰ নিৰোদ চৌধুৰীৰ গল্প ৰোমাণ্টিক-বাস্তৱতা আধাৰিত। তেওঁৰ সৰহ সংখ্যক গল্পত চিত্রিত হৈছে মধ্যবিত্ত শ্রেণীৰ চাৰিত্রিক বৈশিষ্ট্য। চৌধুৰীৰ গল্প কোৱা ৰীতি কৌতূহলোদ্দীপক আৰু আকর্ষণীয়। কোনো ৰাজনৈতিক আদর্শ আগত ৰাখি তেওঁ গল্প ৰচনাত প্রবৃত্ত নহয়। গাল্পিক চমৎকাৰিত্ব সৃষ্টিত তেওঁৰ দক্ষতা অনস্বীকার্য। *অংগে অংগে শোভা, বায়ু*

বহে পূৰৱৈয়া, নিশিগন্ধা, হংসমিথুন চৌধুৰীৰ প্ৰকাশিত গল্প পুথি। অতুলানন্দ গোস্বামীৰ সহজ সৰল জীৱনৰ, সাধাৰণতে চকুত নপৰা ঘটনা অথবা সমস্যাক লৈ পোনপটীয়া ৰীতিৰে ৰচনা কৰা গল্পসমূহৰ আবেদন অবিস্মৰণীয়। পৰিৱেশ পৰিস্থিতি চিত্ৰণতো তেওঁৰ দক্ষতা অসামান্য। তেওঁৰ দ্বাৰা চিত্ৰিত চৰিত্ৰসমূহ মিতাচাৰী। 'হামদৈ পুলৰ জোন' গোস্বামীৰ এটা সার্থক গল্প।

এই সময়ৰ আন এগৰাকী লেখিকা স্নেহ দেৱীৰ গল্পতো নাৰীজীৱনৰ বিচিত্ৰতাৰ প্ৰকাশ সংবেদনশীল আৰু শিল্পগুণবিশিষ্ট। তেওঁৰ গল্প কোৱাৰ ৰীতি সৰল, ভাষা অলংকাৰবিহীন, কিন্তু ৰসাল। *স্নেহ দেৱীৰ গল্প, স্নেহদেৱীৰ একুঁকি গল্প* আদি তেওঁৰ উল্লেখযোগ্য গল্প সংকলন। প্ৰবীণা শইকীয়াৰ গল্পতো নাৰীমনৰ আবেগ-অনুভূতিৰ স্বৰূপ সংবেদনশীল ভাষাৰে প্ৰকাশিত হৈছে। তেওঁৰ গল্পৰ কথনৰীতি আকর্ষণীয়। নগৰীয়া জীৱনৰ ভণ্ডামিক তেওঁ শ্লেষৰ মাধ্যমেৰে প্ৰকাশ কৰিছে। পৰীক্ষামূলক ন ন ৰীতিৰে গল্প লিখি খ্যাতি অর্জন কৰা এই সময়ৰ আন এগৰাকী গল্পকাৰ হ'ল নগেন শইকীয়া। *অপার্থিৱ পার্থিৱ, অস্তিত্বৰ শিকলি, আন্ধাৰত নিজৰ মুখ* আদি শইকীয়াৰ উল্লেখযোগ্য গল্পপুথি। তেওঁৰ গল্পত আংগিকৰ চমৎকাৰিত্ব আৰু চৰিত্ৰৰ অন্তর্দ্বন্দ্বৰ ৰূপায়ণ মন কৰিবলগীয়া। তেওঁৰ একাংশ গল্পত অস্তিত্ববাদী দর্শনৰ প্ৰভাৱ সুস্পষ্ট। মননশীলতা আৰু পর্যবেক্ষণশীলতাৰে শইকীয়াৰ গল্প চমকপ্ৰদ। *আন্ধাৰত নিজৰ মুখ* গল্পপুথিৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা লাভ কৰিছে।

অণিমা ভৰালী দত্তৰ গল্পৰ ভাষা নিমজ আৰু সাবলীল। নাৰী জীৱনৰ সুখ-দুখ, প্ৰেম-প্ৰতাৰণা আৰু ত্যাগৰ বিচিত্ৰ অভিব্যক্তি তেওঁৰ গল্পসমূহত ঘটিছে। *বেলি ফুলৰ সপোন* আৰু *কাঞ্চন জংঘা* তেওঁৰ অন্যতম সার্থক সৃষ্টি। তেওঁৰ 'অস্ত আকাশ' গল্পত এক স্বপ্ন পিয়াসী নাৰী হৃদয় বাস্তৱৰ ৰূঢ় আঘাতত কিদৰে ক্ষত-বিক্ষত হৈছে তাৰ মর্মস্পশী বিৱৰণ আছে। সমাজৰ বিভিন্ন স্তৰ আৰু বয়সৰ নাৰী চৰিত্ৰৰ চিত্ৰণত তেওঁ সিদ্ধহস্ত। তেওঁৰ সমসাময়িক অন্য এগৰাকী কৃতি গল্পকাৰ হৈছে নীলিমা শর্মা। আলোচক প্ৰহ্লাদ কুমাৰ বৰুৱাই তেওঁৰ গল্পৰ আলোচনাৰ প্ৰসঙ্গত কৈছে যে— "নীলিমা শর্মাৰ গল্পৰ আৰম্ভণি আকস্মিক আৰু আৰম্ভণিতে ঘটনাৰ এনে উৎকণ্ঠৰ সৃষ্টি কৰে যে, সেই উৎকণ্ঠাই গল্পৰ শেষলৈকে পাঠকৰ মনত উৎসুক্য বঢ়াই ৰাখে। তেওঁৰ গল্পত নাৰী জীৱনৰ সমস্যা আৰু সংঘাত, প্ৰেম আৰু বিৰহ, কৰুণা আৰু প্ৰতিহিংসা অতি সফলতাৰে চিত্ৰিত হৈছে।" 'ওৰণি নেলাগে গুচাব', 'সেতুবন্ধন', 'অন্য সুঁতি' আদি তেওঁৰ উল্লেখযোগ্য গল্প কৃতি। জনজাতীয় মূলৰ গল্পকাৰ লুম্মেৰ দাইৰ গল্পত তেওঁৰ পৰিচিত জনজাতীয় সমাজখন বর্ণাঢ্য ৰূপত ফুটি উঠিছে। জনজাতীয় লোকৰ সৰলতা, আধুনিক জীৱন যাত্ৰাৰ জটিলতাৰ মেৰপাকত সোমাই ককৱকাই থকা দুখিত আত্মাৰ কথা মর্মস্পর্শী ৰূপত লুম্মেই দাইৰ গল্পত পৰিস্ফুট হৈছে।

নিৰুপমা বৰগোহাঞিৰ গল্পৰ মুখ্য উপজীব্য হ'ল মধ্যবিত্ত জীৱনৰ সমস্যা আৰু সংঘাত। তেওঁৰ প্ৰাৰম্ভিক কালছোৱাৰ গল্পত নাৰীজীৱনৰ সৰু-বৰ নানান ঘাত-প্ৰতিঘাত, সুখ-দুখ, বিষাদ-নৈৰাশ্য, ক্ষোভ-বঞ্চনা আদিৰ চিত্ৰণ-বর্ণন সংবেদনশীল। নাৰী-মনৰ সন্ভেদ দিয়াত বৰগোহাঞিয়ে দক্ষতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। তেওঁৰ গল্পৰ উপস্থাপন ৰীতি পোন, ভাষা সাৱলীল। *অনেক আকাশ, জলছবি, কাশলৈ দূৰ নহয়* আদি তেওঁৰ প্ৰকাশিত গল্পৰ পুথি। প্ৰতিষ্ঠিত গল্প

লেখিকা মামণি ৰয়চম গোস্বামীৰ গল্পত জীৱন-দৃষ্টিৰ গভীৰতা আৰু উপস্থাপন আৰু বিন্যাস ৰীতিৰ চমৎকাৰিত্ব মন কৰিবলগীয়া। তেওঁৰ গল্পৰ চৰিত্রসমূহ বাস্তৱতা আধাৰিত। তেওঁৰ 'ৰিণিকি ৰিণিকি দেখিছোঁ যমুনা' কে ধৰি একাংশ গল্পত নাৰীমনৰ বৈচিত্র্যপূর্ণ অনুভূতিৰ কলাত্মক প্রকাশ নিঃসন্দেহে সংবেদনশীল। গোস্বামীৰ ভাষা সাৱলীল, ঠায়ে ঠায়ে অলংকাৰেৰে সমৃদ্ধ। তেওঁৰ দ্বাৰা ৰচিত 'সংস্কাৰ' গল্পৰ বিষয়বস্তুৰ বলিষ্ঠতা অনতিক্রম্য। এই সময়ৰ আন এগৰাকী জনপ্রিয় গল্পকাৰ ইমৰাণ শ্বাহ। তেওঁৰ দৃষ্টিভংগী ৰোমাণ্টিক। তেওঁৰ সার্থক গল্পসমূহত চৰিত্রৰ মানসিক-দিশৰ বিশ্লেষণ তাৎপর্যপূর্ণ। গল্প ৰসোত্তীর্ণ কৰিবলৈ ইমৰাণ শ্বাহ সততে যত্নবান।

এই সময়ছোৱাৰ (দেশে স্বাধীনতা পোৱাৰ পৰা ১৯৭০ চনলৈ) গল্পসমূহলৈ লক্ষ্য কৰিলে কেইটিমান বিশেষ বৈশিষ্ট্য আমাৰ চকুৰ আগত উদ্ভাসিত হয়। সেয়া হ'ল —

- ঐতিহ্য প্রীতি আৰু প্রাচীন পৰম্পৰাৰ নামত কুসংস্কাৰৰ প্রতি ক্ষোভ এই সময়ছোৱাৰ গল্পকাৰসকলৰ গল্প ৰচনাত ফুটি উঠা এটা লেখৰ বৈশিষ্ট্য।
- তেওঁলোকৰ কাপ নিসৃত গল্পত সমাজৰ দুখীয়া শ্রেণীটোৰ প্রতি মানবীয় অনুকম্পা আৰু বিত্তবান শ্রেণীটোত সততে দেখিবলৈ পোৱা হৃদয়হীনতাৰ স্বৰূপ চিত্রিত হৈছে।
- *আৱাহনৰ দৰে ৰামধেনুতো* নাৰীক গুৰুত্ব দিয়া হৈছে। পিছে ইয়াত কেৱল নাৰীসকলৰ সমস্যা প্রদর্শন কৰিয়েই গল্পকাৰসকল ক্ষান্ত হোৱা নাই। বৰঞ্চ এই কালৰ গল্পকাৰসকলে কলাসম্মত ৰূপত পৰোক্ষভাৱে নাৰী মুক্তিৰ বাণী প্রচাৰ কৰিছিল।
- দায়বদ্ধ লেখক হিচাপে এই সময়ছোৱাৰ গল্পকাৰসকলে সামাজিক জীৱনত সততে দেখা পোৱা ভণ্ডামিৰ বিৰুদ্ধে মুখৰ আছিল। এইদৰে তেওঁলোকে সমাজৰ 'জাগ্রত প্রহৰী' ৰূপে এক মর্যাদাপূর্ণ স্থিতি লাভ কৰিছিল।
- আলোচ্য সময়ছোৱাৰ চুটিগল্পই পূর্বৰ উদাৰনৈতিক মানবতাবাদী দৃষ্টিভংগী পৰিহাৰ কৰি মনঃসমীক্ষাত্মক মানৱতাবাদ আৰু বাস্তৱবাদী মানৱতাবাদ গ্রহণ কৰিলে।
- এই সময়ৰ গল্পত ব্যঙ্গৰ প্রয়োগ কলাত্মক ৰূপত হ'বলৈ ধৰিলে। বিশেষকৈ ৰাজনৈতিক নেতাসকলক ব্যঙ্গ কৰাৰ প্রৱণতা বৃদ্ধি পালে। সেই ব্যঙ্গই পাঠুৱৈৰ মনত বুদ্ধিদীপ্ত হাস্যৰস সৃষ্টিত ইন্ধন যোগালে।
- নৰ-নাৰীৰ জৈৱিক কামনা-বাসনা, মৃত্যু স্পহা আদিৰ সৰস চিত্রণত এই সময়ৰ গল্পকাৰে কৃতিত্বৰ পৰিচয় দিয়া পৰিলক্ষিত হয়।
- প্রগতিবাদী চিন্তা, চেতনাস্রোতৰ প্রয়োগ, অৱস্থিতিবাদ, অধিব্যক্তিবাদ আদি ধাৰাসমূহে আলোচ্য সময়ছোৱাৰ গল্পক প্রভাৱিত কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গল্পকাৰ আব্দুল মালিকে কোনখন কাকতখনত জৰিয়তে গল্পকাৰ হিচাপে আত্মপ্রকাশ কৰিছিল?

.....

প্রশ্ন নং ২ ঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ গল্পৰ বৈশিষ্ট্য দুটা উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৩ ঃ দেশে স্বাধীনতা পোৱাৰ পৰা ১৯৭০ চনৰ ভিতৰত ৰচিত গল্পত দেখা পোৱা দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

১৯৬৩ চনত বীৰেন্দ্র কুমাৰ ভট্টাচার্যই *ৰামধেনু* আলোচনীৰ সম্পাদকৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ পিছত আলোচনীখনৰ প্রকাশ অনিয়মীয়া হ'বলৈ ধৰিলে। ১৯৬৭ চনৰ এপ্রিল মাহত আলোচনীখনৰ স্বত্বাধিকাৰী ইন্দ্রকমল বেজবৰুৱাৰ বিয়োগ ঘটাত *ৰামধেনুৰ* প্রকাশ বন্ধ হয়। অসমীয়া সাহিত্যৰ প্রসাৰ আৰু প্রচাৰৰ ক্ষেত্রত *ৰামধেনুৱে* আগবঢ়াই অহা অৰিহণা এইদৰে ব্যাহত হোৱাত এক সাময়িক স্থবিৰতা আহি পৰোঁ পৰোঁ হৈছিল যদিও *সাদিনীয়া নবযুগ, মণিদীপ, আমাৰ প্রতিনিধি* আদি কাকত আলোচনীয়ে ভাষা-সাহিত্যৰ প্রবাহমান ধাৰাটো স্থবিৰ নোহোৱাকৈ ৰাখিবলৈ প্রয়াসশীল হৈছিল। এই ক্ষেত্রত বহুমুখী প্রতিভাৰ ব্যক্তিত্ব চন্দ্রপ্রসাদ শইকীয়াৰ সম্পাদনাত প্রকাশিত *অসম বাতৰিয়ে* কিছু প্রতিশ্রুতিসম্পন্ন লেখকক সাধনা কৰি যাবলৈ বাট কাটি দিছিল। তাৰ লগতে বিভিন্ন সময়ত প্রকাশ পোৱা কেইবাখনো আলোচনী-কাকতে অসমীয়া গল্প লেখকসকলক ভেটি প্রদান কৰিছিল।

বয়সত প্রবীণ অথচ বিংশ শতিকাৰ সত্তৰ দশকৰ পাছত গল্প লিখি অসমীয়া সাহিত্যত এক বিশিষ্ট আসন অধিকাৰ কৰা গল্পকাৰ শীলভদ্রই চন্দ্রপ্রসাদ শইকীয়াৰ সম্পাদনাত প্রকাশ পোৱা *অসম বাতৰিত* তেওঁৰ জীৱনৰ প্রথমটো গল্প প্রকাশ কৰিছিল। গল্পটোৰ নাম 'অভিযোগ' আৰু প্রকাশৰ চন ১৯৬৪। অন্যান্য বহুতো সমাজ সচেতন গল্পকাৰৰ দৰে শীলভদ্রই নিজৰ গল্পত সমাজৰ সমসাময়িক শোষক, শাসক আৰু ভণ্ডামিৰে আগুৰা মানসিকতাৰ স্বৰূপ উদঘাটন কৰিছিল। তেওঁৰ কোনো কোনো গল্পত ব্যংগৰ অৱস্থিতি আছে। কিন্তু সেই ব্যংগ অতি মার্জিত আৰু বাস্তৱধর্মী। তেওঁৰ চৰিত্রসমূহ বাস্তৱ জীৱনৰ পৰা উদ্ভূত বাবে তেওঁৰ গল্পৰ ভাষাত সেই বাস্তৱতা ফুটি উঠে। অর্থাৎ তেওঁৰ গল্পৰ ভাষা অতি অনাড়ম্বৰ। তেওঁৰ গল্প সংকলনৰ ভিতৰত উল্লেখযোগ্য হৈছে *বাস্তৱ, কোনো ক্ষোভ নাই, বিশ্বাস আৰু অন্যান্য গল্প, আকৌ মধুপুৰ, মধুপুৰ বহুদূৰত, আপোন মানুহ,* ইত্যাদি। গল্পকাৰ হিচাপে শীলভদ্রৰ আবির্ভাৱ অসমীয়া গল্প সাহিত্যৰ ইতিহাসৰ এক লেখত ল'বলগীয়া ঘটনা। শীলভদ্রৰ গল্পত বাস্তৱ চেতনাৰ গভীৰতা অনন্য বৈশিষ্ট্য ৰূপে পৰিগণিত। তেওঁৰ সৰহ সংখ্যক গল্পত শোষিত, বঞ্চিত আৰু অৱহেলিতজনৰ প্রতি সহানুভূতি কলাত্মক ৰূপত অভিব্যক্ত হৈছে। শীলভদ্রৰ গল্পত বৈচিত্র্যপূর্ণ অভিজ্ঞতাৰ ছাপ সুস্পষ্ট। তেওঁৰ গল্প কোৱাৰ ভংগী সৰস আৰু

ক'তো ক'তো কৌতূহল উদ্দীপক। গল্প চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণতো তেওঁ কৃতিত্বৰ পৰিচয় দিছে।*মধুপুৰ বহুদূৰ* পুথিখনৰ বাবে শীলভদ্ৰই সাহিত্য অকাদেমি বঁটা লাভ কৰে।

এই কালছোৱাত, খ্যাতি অৰ্জন কৰা এগৰাকী গল্পকাৰ হ'ল জেহিৰুল হুচেইন। হুচেইনৰ গল্প কোৱাৰ ভংগী আকৰ্ষণীয়। সমকালীন সমাজ-জীৱনক কলাত্মক ৰূপত ফুটাই তোলাত তেওঁৰ দক্ষতা মনকৰিবলগীয়া। তেওঁৰ ভাষা সহজ সৰল। ঠায়ে ঠায়ে উপমাদি অলংকাৰৰ প্ৰয়োগে তেওঁৰ বৰ্ণন চিত্ৰণ প্ৰাণৱন্ত কৰি তোলে। ছাইদুৰ ইছলামৰ গল্পৰ বিষয় বৈশিষ্ট্য উল্লেখ কৰিবলগীয়া। তেওঁৰ একাংশ গল্পত উপলব্ধিৰ গভীৰতা আৰু মননশীলতাৰ স্বাক্ষৰ আছে। এনেবিলাক গল্পত চৰিত্ৰৰ মনোবিশ্লেষণ বিশেষত্ব ৰূপে পৰিগণিত হৈছে।

ষোৱা শতিকাৰ সপ্তম দশকৰ শেষ ভাগৰ পৰা অষ্টম দশকলৈকে অৰ্থনৈতিক সংকট, দুৰ্নীতিৰ বিস্তৃতি, নৈতিক অৱক্ষয়, মধ্যবিত্ত শ্ৰেণীৰ তথাকথিত সম্ভ্ৰীয়া আধুনিকতাৰ প্ৰতি আকৰ্ষণ, বস্তুৰ চ'ৰাদাম, ৰাজনৈতিক নেতাৰ চতুৰালি, শাসক দলৰ দমন নীতি, নিবনুৱা সমস্যা, খাদ্যাভাৱ আদি এশ এবুৰি কাৰণত অসমৰ সমাজ জীৱন ভয়ংকৰ অস্থিৰতা আৰু জটিলতাৰ সম্মুখীন হ'ল। সাধাৰণ শ্ৰেণীৰ লোকৰ জীৱন হৈ পৰিল দুৰ্বিসহ। এনে পৰিস্থিতিত তৰুণ গল্পকাৰসকল ক্ষুব্ধ আৰু ক্ৰোধান্বিত হ'ল আৰু তাৰ পৰিণতিত তেওঁলোকৰ সমাজ চেতনাৰ লগতে ৰাজনৈতিক চেতনাও তীব্ৰতৰ হৈ পৰিল আৰু বাস্তৱ দৃষ্টিভংগী গ্ৰহণ কৰি তেওঁলোকে গল্প ৰচনাত প্ৰয়োগ কৰিলে। ফল স্বৰূপে একাংশ তৰুণৰ গল্পত প্ৰতিবাদ আৰু প্ৰতিৰোধৰ সুৰ বাজি উঠিল। উল্লেখযোগ্য যে প্ৰতিষ্ঠিত গল্পকাৰসকলো সমাজ-জীৱনত নতুনকৈ দেখা দিয়া জটিলতাৰ প্ৰভাৱৰ পৰা মুক্ত হৈ থাকিব নোৱাৰিলে। তেওঁলোকৰ মাজৰ কোনো কোনোৱে বাস্তৱতাৰ আধাৰত যুগোপযোগী গল্প ৰচনাত মনোনিবেশ কৰিলে। সময়ৰ চিত্ৰ তেওঁলোকৰ গল্পতো প্ৰতিফলিত হ'ল।

অষ্টম দশকত ব্যাপ্তি আৰু জনপ্ৰিয়তা অৰ্জন কৰা দুখন আলোচনী *আমাৰ প্ৰতিনিধি* আৰু *নতুন পৃথিৱীত* এচাম তৰুণ লেখকে মাৰ্ক্সীয় আদৰ্শেৰে উদ্বুদ্ধ হৈ লিখিবলৈ লোৱা গল্পত ৰাজনৈতিক ভাবাদৰ্শই মুখ্য স্থান লাভ কৰিছে। আনহাতে এই কালছোৱাত পৰম্পৰাগত আদৰ্শ আগত ৰাখি, পূৰ্বৰ গল্পকাৰ একাংশৰ লগতে তেওঁলোকৰ উত্তৰসুৰী একাংশ তৰুণেও গল্প ৰচনাত আত্মনিয়োগ কৰিলে। হেমন্ত কুমাৰ শৰ্মা আদৰ্শবাদী গল্পকাৰ। সমাজ জীৱনৰ সংঘাত আদিক তেওঁ সহজ সৰল ভাষাৰে উপস্থাপন কৰে। তেওঁৰ গল্পত বৰ্ণনাৰ প্ৰাধান্য লক্ষ্য কৰা যায়। দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদিৰ চিত্ৰও তেওঁৰ একাংশ গল্পত চিত্ৰিত হৈছে। *সেই মালাধাৰি* শৰ্মাৰ প্ৰকাশিত উল্লেখযোগ্য গল্পপুথি। ৰিজু হাজৰিকাই পোনপটীয়া ৰীতিৰে নিম্ন আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ জীৱনৰ সমস্যা সংঘাতৰ আধাৰত ৰচনা কৰা গল্পসমূহ সুখপাঠ্য। তেওঁৰ গল্পত শ্লেষ আৰু হাস্যৰসৰ প্ৰয়োগ মন কৰিবলগীয়া বৈশিষ্ট্য। গোবিন্দ প্ৰসাদ শৰ্মাৰ গল্প বিষয় বস্তু আৰু আংগিকৰ দিশৰ পৰা নিটোল। গল্প চৰিত্ৰৰ অন্তৰ্দ্বন্দ্বৰ ৰূপায়ণত তেওঁ কৃতিত্বৰ পৰিচয় দিবলৈ সমৰ্থ হৈছে।কুমুদ গোস্বামীৰ গল্পৰ আকৰ্ষণীয়তা প্ৰধানতঃ সূক্ষ্ম পৰ্যবেক্ষণশীলতা আৰু পৰিৱেশ সৃষ্টিৰ নিপণতাৰ ওপৰত নিৰ্ভৰশীল। সাধাৰণতে, গোস্বামীয়ে সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকৰ দুখ-বেদনা, ক্ষোভ-

বঞ্চনা, বিৰহ -যাতনা, আশা-নিৰাশা আদিক সহানুভূতিৰে তেওঁৰ গল্পত ফুটাই তোলে। তেওঁৰ গল্পত কোনো ৰাজনৈতিক মতাদর্শৰ প্ৰভাৱ নাই; আছে জীৱন আৰু সমাজক অন্তর্দৃষ্টিৰে নিৰীক্ষণ কৰাৰ হেঁপাহ। *দুৱাৰ, ৰাতিৰ চৰাই* আদি তেওঁৰ প্ৰকাশিত গল্প সংকলন। ক্ষীৰোদ শইকীয়া, হেমেন গগৈ, কেশৱ শইকীয়া আৰু ভদ্রেশ্বৰ ৰাজখোৱাই সাধাৰণ পুৰুষ নাৰীৰ জীৱনৰ সুখ-দুখ, হাঁহি কান্দোন, প্ৰেম অপ্ৰেম, হিংসা দ্বেষ আদি তেওঁলোকৰ গল্পত সংবেদনশীল ৰূপত ফুটাই তোলে। কেও গৰাকী গল্পকাৰৰ গল্পৰ গঠন ৰীতি আটিল আৰু মানৱকেন্দ্রিক। অপূর্ব শর্মাৰ গল্পত বিষয়বস্তু আৰু আংগিক সুন্দৰ সমাবেশত লীন হৈ গৈছে। তেওঁৰ গল্পত সমাজ সচেতনতা আৰু মানবীয় মূল্যবোধৰ প্ৰতি গভীৰ আস্থা ফুটি উঠিছে। চৰিত্র চিত্রণত শর্মাই অন্তর্দৃষ্টিৰ পৰিচয় দিয়াত সফলতা লাভ কৰিছে। উপস্থাপন ৰীতিৰ তীর্যকতা আৰু কথনভংগীৰ অভিনৱত্ব তেওঁৰ গল্পৰ বৈশিষ্ট্য। মহেন্দ্র বৰঠাকুৰৰ গল্পত তীক্ষ্ণ সমাজ চেতনা কলাত্মক গুণেৰে সমৃদ্ধ। পৰাগ কুমাৰ ভট্টাচার্যৰ গল্পত জীৱনবোধৰ গভীৰতা আৰু মননশীলতাৰ পৰিচয় স্পষ্ট। তেওঁৰ একাংশ গল্প ৰোমাণ্টিক বাস্তৱতাৰে সমুজ্জ্বল। ভট্টাচার্য ৰচিত প্রেমৰ গল্পসমূহ ৰসোত্তীর্ণ। *ভগ্নচিৰি, আনন্দ আশ্রম* আদি তেওঁৰ প্ৰকাশিত গল্পপুথি। দুর্গেশ্বৰ শর্মাৰ গল্প কোৱাৰ ভংগী পোনপটীয়া। তেওঁৰ গল্পৰ বিষয়বস্তু অজটিল। সমাজ জীৱনৰ নানান সমস্যা তেওঁ গল্পত আন্তৰিকতাৰে উপস্থাপন কৰে। পৰিবেশ ৰচনাতো শর্মাৰ কৃতিত্ব লক্ষ্য কৰিব পাৰি। তেওঁৰ একাংশ গল্প ৰোমাণ্টিক। অভিজ্ঞতাৰ ছাপ তেওঁৰ কোনো কোনো গল্পত সুস্পষ্ট। *বনলতাৰ অশ্রু, কন্যাপক্ষ* আদি শর্মাৰ উল্লেখযোগ্য গল্পপুথি।

এই সময়ৰ সামাজিক দায়বদ্ধ গল্পকাৰ স্বৰূপে খ্যাত অৰুণ গোস্বামীৰ সমাজচেতনা মজ্জাগত। তেওঁৰ গল্পত অন্যায়-অবিচাৰ, শোষণ-পীড়ণ, নির্যাতন-ভ্রষ্টাচাৰ আদিৰ বিৰুদ্ধ তীব্র প্রতিবাদ প্রতিৰোধৰ সুৰ ধ্বনিত হৈছে। গোস্বামীয়ে তেওঁৰ গল্পত বক্তব্যৰ ওপৰত অধিকতৰ গুৰুত্ব প্রদান কৰে। ফলস্বৰূপে তেওঁৰ কোনো কোনোটো গল্পই শিল্পগত গুণ হেৰুৱাইছে। মার্ক্সীয় আদর্শৰ প্রভাৱ তেওঁৰ গল্পত সহজে অনুভূত হয়। গোস্বামীৰ 'মাছমৰীয়া ছোৱালীৰ লাজ', বিষয়বস্তু আৰু কলা কৌশলৰ দিশৰ পৰা এটি স্মৰণীয় গল্প। তেওঁৰ অন্যতম শ্রেষ্ঠ গল্প 'পঁচিশটা চকাৰ এখন অচল ৰথ' ৰ উপস্থাপন আৰু বিন্যাস ৰীতিৰ প্রতীকী-ব্যঞ্জনাৰে সমৃদ্ধ। গোস্বামীৰ ভাষা বলিষ্ঠ। পোলেন বৰকটকীৰ গল্পতো সমাজ-সচেতনতাৰ পৰিচয় পোৱা যায়। তেওঁৰ সৱহ সংখ্যক গল্পই উদ্দেশ্যধর্মী, যদিও সিবিলাকত কলাত্মক আবেদন সৃষ্টি কৰিবলৈ তেওঁ যত্ন অটুট ৰাখে। গল্প বিষয়বস্তুৰে সৈতে ৰজিতা খুৱাই তাৰ কলা কৌশল প্রয়োগ কৰাত বৰকটকী সিদ্ধহস্ত। সেয়েহে, তেওঁৰ গল্পই সততে নিটোল ৰূপ পৰিগ্রহণ কৰে। ভূপেন্দ্র নাৰায়ণ ভট্টাচার্যৰ গল্প বিৱৰণমূলক। শোষণ-নির্যাতন, অন্যায় অবিচাৰ আদিৰ বিৰুদ্ধে প্রতিবাদ প্রতিৰোধৰ সুৰ তেওঁৰ গল্পতো ধ্বনিত হৈছে। ভট্টাচার্যৰ 'চৰকাৰী কলম'ৰ লেখীয়া একাংশ গল্পত ব্যংগৰ প্রয়োগ লক্ষ্য কৰিব লগীয়া। তেওঁৰ ভাষা সবল। উদয়াদিত্য ভৰালীৰ গল্পত প্রগতিশীল আদর্শৰ কলাত্মক প্রতিফলন হৃদয় সংবেদ্য। বাস্তৱতা আধাৰিত তেওঁৰ গল্পৰ উপস্থাপন আৰু বিন্যাস প্রণালী আকর্ষণীয়। ভৰালীৰ ভাষা সংযত। তেওঁৰ কোনো গল্পত ব্যংগৰ প্রয়োগ নান্দনিক ৰীতিৰে নিয়ন্ত্রিত। ভূপেন শর্মাৰ

গল্প কোৱাৰ ৰীতি কিছু জটিল যদিও সংবেদনশীল। সমাজ সচেতনতা তেওঁৰ গল্পৰ মাজেদিও প্ৰতিফলিত হৈছে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি নানান সমস্যাক বিষয়বস্তু হিচাপে গ্ৰহণ কৰি তেওঁ গল্পৰ প্লট নিৰ্মাণ কৰে আৰু সিবোৰ নিচেই ওচৰৰ পৰা নিৰীক্ষণ কৰি গল্পত উপস্থাপন কৰে। তেওঁৰ পৰ্যবেক্ষণ শক্তি অভিনৱ। শৰ্মাৰ ভাষা সংস্কৃতীয়া শব্দেৰে ভাৰাক্ৰান্ত যদিও দুৰ্বোধ্য নহয়। লোক ভাষাৰ গঠন ভংগিমাৰ প্ৰয়োগো তেওঁৰ গল্পত সুলভ। মদন শৰ্মা এই কালছোৱাৰ আন এগৰাকী যশস্বী গল্পকাৰ। তেওঁৰ গল্পটো বক্তব্যৰ প্ৰাধান্য আৰু বৈশিষ্ট্য স্বৰূপে পৰিগণিত হৈছে। মদন শৰ্মাই সাধাৰণতে বিষয়বস্তুৰ বৰ্ণনাৰ সংযোগত গল্পত চমৎকাৰিত্ব সৃষ্টি কৰিব বিচাৰে। চৰিত্ৰৰ স্থান তেওঁৰ গল্পত গৌণ। অৱশ্যে বিষয়ৰ বৰ্ণনাৰ প্ৰসংগত যিবিলাক চৰিত্ৰৰ উল্লেখ তেওঁৰ গল্পত পোৱা যায়, সিবিলাক হতাশা জৰ্জৰ সমাজৰ বাস্তৱ চৰিত্ৰ। মদন শৰ্মা আশাবাদী লেখক। তেওঁৰ সৱহ সংখ্যক গল্পত এই আশাবাদৰ বলিষ্ঠ সুৰ ধ্বনিত হৈছে। তেওঁৰ ভাষা প্ৰাঞ্জল; ঠায়ে ঠায়ে কাব্যিক ব্যঞ্জনাৰে সমৃদ্ধ। বিনোদ শৰ্মাৰ গল্পৰ সংখ্যা সৱহ নহয়, যদিও যি কেইটা গল্প তেওঁ ইতিমধ্যে প্ৰকাশ কৰিছে, সেই কেইটাৰ জৰিয়তে তেওঁৰ প্ৰতিভাৰ সম্যক স্ফুৰণ ঘটিছে। শৰ্মাৰ গল্পত কৃষি তথা শ্ৰমজীৱীলোকৰ জীৱনচিত্ৰ মৰ্মস্পৰ্শী ৰূপত চিত্ৰিত হৈছে। আৰ্তজনৰ প্ৰতি সহানুভূতি, তেওঁৰ গল্পত আবেদনক্ষম ভাষাৰে নিবদ্ধ হোৱাটো বিশেষভাৱে লক্ষ্য কৰিব পাৰি। ৰত্নেশ্বৰ মেধি দায়বদ্ধ গল্পকাৰ। সমাজ-বাস্তৱতাৰ চিত্ৰ তেওঁৰ গল্পত সংহত ৰূপত পৰিস্ফুটিত হৈছে। বিপুল খাটনিয়াৰ এই ছোৱা সময়ৰ আন এগৰাকী বলিষ্ঠ গল্পকাৰ। তেওঁৰ গল্পত, অন্যায়-অবিচাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ আৰু ঘৃণাৰ প্ৰকাশ ঘটিছে। খাটনিয়াৰৰ গল্পৰ উপস্থাপন আৰু বিন্যাস ৰীতি যথেষ্ট পৰিণত। চৰিত্ৰ চিত্ৰণতো তেওঁ দক্ষতা দেখুৱাবলৈ সমৰ্থ হৈছে। কমলা বৰগোঁহাইৰ গল্পতো দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে প্ৰতিবাদৰ সুৰ বাজি উঠিছে। তেওঁৰ গল্পৰ পৰিবেশ চিত্ৰণ নিখুঁত আৰু প্ৰাণবন্ত।

ৰবীন্দ্ৰ বৰা, জ্ঞান পূজাৰী, ভূবন মোহন মহন্ত, দীনেশ শৰ্মা, কৈলাশ শৰ্মা, ভগবান শৰ্মা আদি গল্পকাৰসকলৰ গল্পত সমকালীন সমাজৰ নিম্ন আৰু নিম্নমধ্যবিত্ত শ্ৰেণীৰ লোকৰ সুখ দুখ, হাঁহি কান্দোন, আবেগ-অনুভূতি, হৰ্ষ-বিষাদ আদিৰ ৰূপায়ণ লক্ষ্য কৰা যায়। এওঁলোকৰ ভিতৰত অশ্বিনী কুমাৰ শৰ্মা আৰু কৈলাশ শৰ্মাৰ গল্প ৰোমাণ্টিক বাস্তৱতা ধৰ্মী। উভয়ৰে গল্পৰ গাঁথনি নিখুঁত আৰু সংবেদনশীল।*এৰা সুঁতিৰ বান* অশ্বিনী কুমাৰ শৰ্মাৰ প্ৰকাশিত গল্পপুথি। দীনেশ শৰ্মাৰ গল্পত সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ প্ৰতি সহানুভূতিশীলতাৰ পৰিচয় পোৱা যায়। অসমৰ গ্ৰাম্য সমাজখনৰ চিত্ৰ অংকনত তেওঁ সিদ্ধহস্ত। 'কাতিপীৰাৰ মাক' শৰ্মাৰ এটা সাৰ্থক গল্প। ভগৱান শৰ্মাৰ গল্পত মানবতাবাদী আদৰ্শৰ কলাত্মক প্ৰকাশ ঘটিছে। চৰিত্ৰ আৰু পৰিস্থিতি চিত্ৰণত তেওঁৰ দক্ষতা বিশেষভাৱে মনকৰিবলগীয়া। গল্পকাৰ বিৰিঞ্চি কুমাৰ মেধিৰ সমাজ সচেতনতা অতি তীক্ষ্ণ। নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ জীৱনৰ সমস্যা সংঘাতক কেন্দ্ৰ কৰি ৰচনা কৰা তেওঁৰ গল্পসমূহ সুখপাঠ্য। মেধিৰ ভাষা আকৰ্ষণীয়। অসমীয়া ভাষাৰ জতুঁৰা ৰূপটোৰ প্ৰয়োগে তেওঁৰ ভাষাৰীতিক অভিনৱ মাত্ৰা দান কৰিছে। গল্পকাৰ স্বৰূপে আত্মপ্ৰকাশ কৰা নয়নকুমাৰ মেধিয়েও এই সময়তে প্ৰতিষ্ঠা লাভ কৰে। গল্প ৰচনাৰ কলা-কৌশল তেওঁৰ কৰতলগত। নাৰী মনস্তত্ত্বক লৈ ৰচনা কৰা

মেধিৰ 'ভূমিকা' আদি গল্পৰ আবেদনশীলতা অবিস্মৰণীয়। মেধিৰ ভাষা কাব্যিকতাৰ প্রাচুর্যেৰে ৰমণীয়। তেওঁৰ একাংশ গল্পত নিঃস্বজনৰ প্রতি সহানুভূতিশীলতাৰ পৰিচয় পোৱা যায়। বিশিষ্ট আধুনিক কবি হৰেকৃষ্ণ ডেকা গল্পকাৰ হিচাপেও প্রখ্যাত। 'বন্দীয়াৰ' শীর্ষক গল্পটোৰ বাবে 'কথা' পুৰস্কাৰেৰে পুৰস্কৃত ডেকাৰ *প্রাকৃতিক আৰু অন্যান্য* আৰু *মধুসূদনৰ দলং* উল্লেখযোগ্য গল্পপুথি। ডেকাৰ গল্প বিশ্লেষণাত্মক। চৰিত্র চিত্রণ আৰু পৰিৱেশ ৰচনাত তেওঁ সুগভীৰ অন্তর্দৃষ্টিৰ পৰিচয় পোৱা যায়। গল্পকাৰ ডেকা সাম্প্রতিক সময়ৰ সমস্যাৱলী সম্পর্কে সচেতন। তেওঁৰ একাংশ গল্পত মানৱকেন্দ্রিক নৈতিকতাৰ চাপ স্পষ্ট। ডেকাৰ ভাষা প্রতীকী ব্যঞ্জনাৰে মনোৰম। প্রহ্লাদ কুমাৰ বৰুৱা এইছোৱা সময়ৰ এজন জনপ্রিয় গল্পকাৰ। তেওঁৰ গল্পত জীৱনবোধৰ গভীৰতা প্রতীকৰ সংযোগত পৰিস্ফুটিত হৈছে। চৰিত্র চিত্রণত তেওঁৰ অন্তর্দৃষ্টিৰ পৰিচয় পোৱা যায়। বৰুৱাৰ 'গতিপথ' আদি গল্পত নাৰীবাদী আদর্শৰ প্রকাশ লক্ষ্য কৰিব পাৰি। প্রফুল্ল চন্দ্র বৰা এই সময়ৰ আন এগৰাকী সফল গল্পকাৰ। বৰাৰ গল্প কোৱাৰ এক নিজস্ব শৈলী আছে। তেওঁৰ সমাজচেতনা তীক্ষ্ণ। বৰাৰ দ্বাৰা চিত্রিত চৰিত্রসমূহ তেজ মঙহৰ মানুহ ৰূপে গল্পত উপস্থিত হয় আৰু পাৰিৱেশিক বাস্তৱতাই সেইসকলৰ গতিপথ নির্দিষ্ট কৰি দেখুৱায়। মানৱতাবোধ তেওঁৰ গল্পৰ মাজেদি প্রকাশিত হয়। এই সময়ছোৱাত জনপ্রিয়তা অর্জন কৰা ফুল বৰা, দীপালি দত্ত, প্রীতি বৰুৱা, অণু বৰুৱা আদি গল্প লেখিকাসকলৰ গল্পত সূক্ষ্ম অন্তর্দৃষ্টি, পর্যবেক্ষণশীলতা আৰু জীৱনচেতনাৰ নান্দনিক প্রকাশ লক্ষ্য কৰিবলগীয়া। দীপালি দত্তৰ গল্পত নাৰীমনস্তত্ত্বৰ ৰূপায়ণ চিত্তস্পর্শী। প্রীতি বৰুৱাৰ গল্পত লাঞ্ছিতজনৰ প্রতি অনুকম্পা সহানুভূতিশীল ভাষাৰে উপস্থাপিত হৈছে। যমুনা শর্মাচৌধুৰীৰ গল্পত প্রধানকৈ উচ্চ আৰু উচ্চ মধ্যবিত্ত শ্রেণীৰ জীৱনৰ নানান সৰু বৰ সমস্যা সাৱলীল ভাষাৰে নিবদ্ধ হৈছে। তেওঁৰ গল্পৰ গাথঁনি কোনো কোনো ক্ষেত্রত শিথিল। এনে শিথিলতাই তেওঁৰ একাংশ গল্পৰ আবেদন হ্রাস কৰিছে। অণু বৰুৱা, ডলী তালুকদাৰ আদিৰ গল্পতো নাৰী মনৰ সৱলতা, জটিলতা, সংঘাত আদি মনোৰম ভাষাৰে প্রকাশ লাভ কৰিছে। সেই সময়ছোৱাৰ গল্পকাৰ মিনতি চৌধুৰীৰ গল্পত মানবীয় প্রমূল্যৰ সন্ধানৰ লগতে এক নষ্টালজিক অনুভূতিও বিজড়িত হৈ আছে। তেওঁৰ মনোবিশ্লেষণধর্মী গল্পসমূহ কলা-কৌশলৰ দিশৰ পৰা গতানুগতিক যদিও নিমজ আৰু সুখপাঠ্য ভাষাৰে তেওঁৰ প্রায়বোৰ গল্পই সামৰণিৰ ফালে এটা আবেদন বহন কৰে। আধুনিকতাৰ আড়ম্বৰৰ সিপাৰে চেতনাৰ যি দৈন্য-সিয়ে তেওঁৰ গল্প ৰচনাসমূহক বিশিষ্টতা প্রদান কৰিছে। তেওঁ নাৰীক কেৱল নাৰীৰ দৃষ্টিৰে চোৱা নাই, ঘাইকৈ মানুহৰ দৃষ্টিৰেহে চাইছে। 'বাঁহীৰ মাত' তেওঁৰ এটা বিশিষ্ট গল্পকৃতি। *সাৰ পোৱাৰ পিছত, মৃত্যু জিনি, এন্ধাৰৰ সৈতে এনিশা* আৰু *বাঁহীৰ মাত* তেওঁৰ গল্প সংকলন।

যোৱা শতিকাৰ অষ্টম দশকৰ শেষৰ ভাগৰ পৰা নৱম দশকৰ মাজভাগলৈকে, এইছোৱা সময়ত আত্মপ্রকাশ কৰি প্রতিষ্ঠা লাভ কৰা গল্পকাৰসকলৰ বাহিৰেও পূর্বৰ প্রতিষ্ঠিত একাংশ গল্পকাৰৰ গল্পত সামাজিক তথা ৰাজনৈতিক অস্থিৰতা, অর্থনৈতিক সংকটৰ তীব্রতা, মূল্যবোধৰ অৱক্ষয়, উপেক্ষা আদি বিবিধ সমস্যাৰ চিত্র চিত্রিত হ'ল। এচাম গল্পকাৰে গল্প কোৱাৰ ভংগীত অভিনৱত্ব প্রয়োগ কৰিবলৈ প্রযত্নবান হোৱাটো এই সময়ৰ গল্পৰ উল্লেখনীয় দিশ। এই সময়ৰ

একাংশ গল্পকাৰে তেওঁলোকৰ কোনো কোনোটো গল্পত আখ্যানৰ অৱতাৰণাৰ পৰিৱর্তে অথবা চৰিত্রৰ সম্প্রসাৰণ নঘটাই একোটাহঁত তাৎপর্যপূর্ণ পৰিস্থিতিক নতুন কৌশলেৰে উপস্থাপন কৰিবলৈ প্রয়াস কৰিলে। দৃষ্টিৰ অন্তর্মুখিতা আৰু কথন শৈলীৰ তীর্যক ভংগিমা এই সময়ছোৱাৰ গল্পৰ বৈশিষ্ট্য স্বৰূপে পৰিগণিত হ'ল। দেৱব্রত দাস এই সময়ত প্রতিষ্ঠিত হোৱা গল্পকাৰসকলৰ ভিতৰত অন্যতম শ্রেষ্ঠ। দাস মূলতে এজন সমাজ সচেতন গল্পকাৰ। তেওঁৰ গল্পত আদি, মধ্য আৰু অন্ত্যযুক্ত সুসংহত প্লট নাথাকে। একো একোটা তাৎপর্যপূর্ণ মুহূর্তক মূর্ত কৰি তোলাটোৱেই যেনিবা তেওঁৰ গল্প ৰচনাৰ প্রধান উদ্দেশ্য। তেওঁৰ গল্পত বিৱৰণতকৈ বিশ্লেষণ সৰহ; অৱশ্যে এনে বিশ্লেষণ মননশীল আৰু কলাগুণ বিশিষ্ট। দাসৰ গল্প কোৱাৰ ৰীতিৰ মাজেদি সময়ে সময়ে ব্যংগৰ মার্জিত প্রকাশ ঘটিছে। সমালোচক উপেন্দ্র নাথ শর্মাই ক'বৰ দৰে দাসে আধুনিক কলা আৰু চিনেমাৰ দৰে মণ্টাজ আৰু কলাজ পদ্ধতি অনুসৰণ কৰি গল্প ৰচনা কৰে। *অর্পিতাৰ এৰাতি, হয়তোবা ভেশাচন, নির্মালিৰ সপোন* আদি দেবব্রত দাসৰ প্রকাশিত উল্লেখযোগ্য গল্প সংকলন। এই সময়ৰ ভিতৰত গল্প ৰচনাত ব্রতী হৈ জনপ্রিয়তা অর্জন কৰা গল্প লেখিকা ফুল গোস্বামীৰ গল্পত সামাজিক দোষ ত্রুটিৰ বিৰুদ্ধে বিদ্রোহাত্মক দৃষ্টিভংগী পৰিস্ফুটিত হৈছে। তেওঁৰ গল্প বর্ণনাত্মক যদিও সৰস আৰু আবেদনশীল। পূৰৰী ৰৰমুদৈৰ গল্প কলাগুণেৰে নিটোল আৰু ৰসোত্তীর্ণ। বিষয় বৈচিত্র্য আৰু কথনশৈলীৰ বৈচিত্র্যই তেওঁৰ গল্পক বিশিষ্ট মাত্রা প্রদান কৰিছে। সমকালীন সমাজ জীৱনৰ অন্তৰংগ আৰু বহিৰংগ দিশৰ স্বৰূপ তেওঁৰ গল্পত সাৱলীল ভাষাৰে বিধৃত হৈছে। মনোৰমা দাস মেধিৰ গল্পত নাৰী জীৱনকেন্দ্রিক সমস্যা সংঘাতৰ ৰূপায়ণ চিত্তস্পর্শী। তেওঁৰ কথন ৰীতি সৰল; ক'তো ক'তো কাব্যিক। ফণীন্দ্রকুমাৰ দেৱ চৌধুৰীৰ গল্পৰ বিষয়বস্তু নির্বাচন, উপস্থাপন আৰু বিন্যাস প্রণালীৰ বিশেষত্ব মন কৰিবলগীয়া। তেওঁৰ গল্পত অভিজ্ঞতা আৰু পর্যবেক্ষণশীলতাৰ চাপ গভীৰ। দেৱচৌধুৰীৰ ভাষা শক্তিশালী, ঠায়ে ঠায়ে ইংগিতধর্মী আৰু কাব্যিক। তেওঁৰ *গল্পলিখাৰ গল্পত* সন্নিবেশিত গল্পসমূহত সমকালীন সমাজ জীৱনৰ সৰু বৰ সংঘাত সমস্যা আবেদনশীল ৰূপত উপস্থাপিত হৈছে। অৰূপা পটংগীয়া কলিতাৰ গল্পত সমকালীন সমাজৰ মূল্যবোধৰ অৱক্ষয়, সন্ত্রাস, সংঘর্ষ, হতাশা, ক্ষোভ আদি প্রাণৱন্ত ভাষাৰে উপস্থাপিত হোৱাৰ উপৰি সাধাৰণ শ্রেণীৰ পুৰুষ নাৰীৰ দুখ দৈন্যৰ চিত্রও সংবেদনশীল ৰূপত উদ্ভাসিত হৈছে। পটংগীয়া কলিতাৰ ভাষা সাৱলীল। লোকভাষাৰ প্রয়োগে তেওঁৰ ভাষা ৰীতিক সুকীয়া মর্যাদা প্রদান কৰিছে।

অসমৰ জনজাতীয় সমাজৰ সমস্যাৰ আধাৰত গল্প ৰচনা কৰি খ্যাতি লাভ কৰা গল্পকাৰ য়েছে দৰজে ঠংছিৰ গল্পৰ মাজেদি প্রকাশিত মানৰীয় আবেদন মর্মস্পর্শী। তেওঁ বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত গল্পৰ প্লট নির্মাণ কৰে। তেওঁৰ সৰহ সংখ্যই গল্পই বর্ণনাত্মক। ভাষা সৰল আৰু উপস্থাপন পোনপটীয়া। মিচিং সমাজৰ বর্ণাঢ্য ৰূপ যতীন মিপুনৰ গল্প ৰচনাৰ মাজেদি ফুটি উঠে। তেওঁৰ সমাজ সচেতন মনোভাব আৰু হৃদয়ৰ উষ্ণতায়ো তেওঁৰ ৰচনাৰ কাহিনীসমূহৰ গাঢ়তা বৃদ্ধি কৰে। 'কাংকানৰ পৃথিৰী' নামৰ গল্পটোৰ মাজেদি যতীন মিপুনৰ ৰচনাৰ বিশিষ্টতা মনোজ্ঞ ৰূপত ফুটি উঠে। প্রণতি গোস্বামীয়ে সাধাৰণতে গ্রাম্য সমাজ জীৱনৰ পটভূমিত গল্প ৰচনা কৰিবলৈ ভাল পায়। গ্রাম্য নাৰী-পুৰুষৰ জীৱনৰ নানান সমস্যাক লৈ ৰচিত তেওঁৰ গল্পত সমালোচনামূলক

বাস্তৱতাৰ চাপ আছে।নাৰী জীৱনক লৈ ৰচিত তেওঁৰ একাংশ গল্পত সংস্কাৰবাদী আদর্শৰ প্রভাৱ লক্ষ্য কৰিব পাৰি। প্রণতি গোস্বামীৰ গল্পৰ গাঁথনি দৃঢ়পিনবদ্ধ। এই সময়ৰ এগৰাকী সম্ভাৱনাপূর্ণ গল্পকাৰ পৰমানন্দ ৰাজবংশীৰ গল্পত গ্রাম্য সমাজ জীৱনৰ চিত্র নিখুঁত আৰু সহৃদয়তাৰে চিত্রিত হৈছে। তেওঁৰ গল্পত গঞা লোকৰ দুখ-দুর্দশা, শোষণ-বঞ্চনা, জ্বালা-যন্ত্রণাৰ চিত্রণত কাৰুণ্যৰ চাপ আছে। ৰাজবংশীৰ দ্বাৰা ৰচিত 'গদাধৰৰ পাৰে ৰে পাৰে' এটি অভিনৱ গল্প। মনোজ কুমাৰ গোস্বামী এইছোৱা সময়ৰ আন এগৰাকী প্রতিভাশালী গল্পকাৰ। তেওঁৰ গল্পৰ বিষয়বস্তু আৰু কলা-কৌশলত আধুনিকতাৰ স্বাক্ষৰ আছে। গোস্বামীৰ সমাজচেতনা অতি তীব্র। চৰিত্রৰ মনোবিশ্লেষণত তেওঁ অন্তর্মুখিতাৰ পৰিচয় দিছে। *সমীৰণ বৰুৱা আহি আছে* গোস্বামীৰ দ্বাৰা ৰচিত এখন উল্লেখযোগ্য গল্পপুথি। একে নামৰ গল্পটোৰ বাবে তেওঁ 'কথা' বঁটাৰে সন্মানিত হৈছে। গল্পটো সন্ত্রাসবাদ আধাৰিত। ৰবীন শর্মাৰ গল্পত পৰম্পৰাগত অসমীয়া সংস্কৃতি আৰু অসমীয়া লোকজীৱনৰ স্বৰূপ কলাত্মক ৰূপত বিধৃত হৈছে। তেওঁৰ ভাষা অজটিল। ঠায়ে ঠায়ে অসমীয়া লোকৰ ভাষাৰ গঠন ভংগিমাৰ প্রয়োগে তেওঁৰ ভাষা ৰীতিক বিশিষ্টতা প্রদান কৰিছে। *কথা ভগীৰথ* শর্মাৰ এখনি উল্লেখযোগ্য গল্পপুথি। জয়ন্ত মাধৱ বৰা এই সময়ছোৱাৰ এগৰাকী শক্তিশালী গল্পকাৰ। তেওঁৰ দ্বাৰা ৰচিত গল্পত মানৱীয় উদাৰতাৰ প্রকাশ ঘটিছে। বৰা মূলতঃ আশাবাদী লেখক। তেওঁৰ ভাষা সৰল আৰু ৰসোত্তীর্ণ। উগ্রপন্থী সমস্যা, সন্ত্রাস, সংশয় আদিৰ ভিত্তিত গল্প ৰচনা কৰি জনপ্রিয়তা অর্জন কৰা গল্পকাৰ জিতেন শর্মা মূলতঃ সমাজ জীৱন সম্পর্কে তীক্ষ্ণভাৱে সচেতন লেখক। তেওঁৰ গল্প সাম্প্রতিক সমাজৰ সর্বনাশী আৰু ক্ষয়িষ্ণু ৰূপটো কলাত্মক আৰু প্রত্যয়শীল ৰূপত বিধৃত হৈছে। শর্মাৰ গল্পত পর্যবেক্ষণ আৰু চিন্তাৰ ৰূপায়ণ চমৎকাৰ। *আত্মসমর্পণ* তেওঁ ৰচিত উল্লেখযোগ্য গল্প সংকলন। বিতোপন বৰবৰা এই সময়ৰ আন এগৰাকী সফল গল্পকাৰ। তেওঁৰ গল্পই পৰম্পৰাগত মূল্যবোধৰ প্রতি গভীৰ আস্থাশীলতাৰ স্বাক্ষৰ বহন কৰে। বৰবৰাৰ একাংশ গল্পত ফ্রয়েদীয় মনস্তত্ত্বৰ প্রভাৱ সহজে লক্ষ্য কৰা দেখা যায়। গল্প ৰচনাত ব্রতী হৈ কৃতিত্ব অর্জন কৰা গল্পকাৰ শিৱানন্দ কাকতিৰ গল্পত সমাজ জীৱনক সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ প্রয়াস আছে। চৰিত্র চিত্রণত তেওঁৰ বাস্তৱবোধৰ পৰিচয় পোৱা যায়। *প্রথমজন দেশপ্রেমিক* শিৱানন্দ কাকতিৰ প্রকাশিত এখন উল্লেখযোগ্য গল্পপুথি। তেওঁৰ কোনো কোনোটো গল্প দীঘলীয়া বর্ণনাযুক্ত হ'লেও, সিবোৰ গল্পত উপস্থাপিত মূল বক্তব্যৰ সৈতে সম্পৃক্ত। তেওঁৰ গল্পত শ্লেষ আৰু প্রতীকৰ প্রয়োগ মন কৰিবলগীয়া বৈশিষ্ট্য।

যোৱা শতিকাৰ নৱম দশকৰ শেষৰ ফালে ৰচিত গল্পত বিষয়বস্তু আৰু কলা-কৌশল প্রয়োগৰ ক্ষেত্রত নতুনত্ব পৰিলক্ষিত হয়। এই সময়ছোৱাত আত্মপ্রকাশ কৰা এচাম তৰুণৰ গল্পত হিংসা সন্ত্রাস ভাবুকি আদি নানান সমস্যাৰ বাহিৰেও অস্তিত্বৰ উপলব্ধি মানবীয় তুচ্ছতা, বঞ্চনা, যৌনতা আদি বিবিধ দিশৰ চিত্রণ বর্ণন মনকৰিবলগীয়া বৈশিষ্ট ৰূপে পৰিগণিত হ'ল। এই সকল গল্পকাৰৰ কোনো কোনোৱে 'লংশ্বট', 'ওৱাইড এংগল' আদি কথাছবিৰ কৌশলৰ প্রয়োগেৰে গল্প ৰচনা কৰিবলৈ ল'লে। কোনো কোনোজনৰ গল্পত যৌনতাৰ স্থূল বর্ণনাও সন্নিবেশিত হ'ল। গল্পকাৰ জয়ন্ত কুমাৰ চক্রৱর্তীৰ গল্পত মানৱকেন্দ্রিক নৈতিক আদর্শৰ অনুৰণন উল্লেখনীয়। চক্রৱর্তী

সমাজ সচেতন গল্পকাৰ। কিন্তু তেওঁৰ এই চেতনা ৰোমাণ্টিক আদর্শেৰে সমুজ্জ্বল। জ্যোতিষ শিকদাৰো সমাজ সচেতন গল্পকাৰ। মানৱ মনৰ বর্ণময় ৰূপৰ চিত্রণত তেওঁ সিদ্ধহস্ত। তেওঁৰ গল্প বর্ণনাত্মক কিন্তু ৰসাল। তেওঁৰ ভাষা ঠায়ে ঠায়ে ইংগিতময়তাৰে সমৃদ্ধ। এই ছোৱা সময়তে কুল শইকীয়াই গল্প ৰচনাত প্রবৃত্ত হৈ অসমীয়া গল্প সাহিত্যলৈ প্রভূত বৰঙণি যোগাইছে। শইকীয়াৰ গল্প কোৱাৰ ৰীতিত অভিনৱত্ব আছে। পৰিৱেশ পৰিস্থিতিৰ সৃষ্টিত তেওঁৰ দক্ষতা অবিস্মৰণীয়। সমকালীন নানা সমস্যা তেওঁৰ গল্পৰ মাজেদি কলাত্মক ৰূপত উপস্থাপিত হৈছে। শইকীয়াৰ গল্প 'নাম' সাম্প্রতিক সময়ৰ এটা উল্লেখযোগ্য গল্প। তেওঁৰ ভাষা জটিল, যদিও আবেদনশীল। দীঘলীয়া বাক্য গঠনৰ প্রতি তেওঁৰ মোহ। বুদ্ধিনিষ্ঠতা আৰু মননশীলতা তেওঁৰ গল্পৰ প্রধান বৈশিষ্ট্য।

সমকালীন সমস্যাৰ আধাৰত গল্প ৰচি জনপ্রিয় হোৱা আন এজন গল্পকাৰ অভিজিৎ শর্মাবৰুৱা আৰু ভৃংগেশ্বৰ শর্মাই তেওঁলোকৰ গল্পত, দ্বন্দ্বাত্মক বৈপৰীত্যৰ সংযোগত চৰিত্রৰ মানসিক ক্রিয়া প্রতিক্রিয়া প্রকাশত নৈপুণ্য দেখুৱাইছে। শর্মাবৰুৱাৰ 'কক্ষচ্যুত'ৰ দৰে গল্পত ব্যংগৰ প্রয়োগ মন কৰিবলগীয়া। সেইদৰে ভৃংগেশ্বৰ শর্মাৰ 'ঘড়ী'ৰ দৰে গল্পত দৃষ্টিৰ অন্তর্মুখিতা আৰু 'ডিটেইল'ৰ ব্যৱহাৰ চমকপ্রদ। কামালুদ্দিন আহমেদৰ গল্পত হিংসা, সন্ত্রাস, দৰিদ্রতা আদি সাম্প্রতিক সময়ৰ নানান ভয়ংকৰ সমস্যাৰ চিত্রণ বর্ণন সংবেদনশীল। সমাজ সচেতনতা তেওঁৰ গল্পত চিত্রিত ঘটনা আৰু চৰিত্রৰ সংযোগত প্রকাশিত হৈছে।

বিংশ শতিকাৰ শেষ দশকটোত বিশেষভাৱে পাঠক সমাজৰ দৃষ্টিগোচৰ হোৱা গল্পকাৰসকলৰ ভিতৰত কেইবাগৰাকী তৰুণ তৰুণীয়ে স্বকীয়তাৰ পৰিচয় দিবলৈ সক্ষম হোৱাটো সুখৰ বতৰা। এই সকলৰ কোনো কোনোৱে পৰম্পৰাগত ৰীতিৰে আৰু কোনো কোনোৱে নতুন ভংগীৰে গল্প লিখি সৃজনশীল প্রতিভাৰ পৰিচয় দাঙি ধৰিছে। এই সকলৰ ভিতৰত মাইনী মহন্ত, কাব্যশ্রী মহন্ত, ইমৰাণ হুচেইন, ৰথীন্দ্র নাথ গোস্বামী, প্রশান্ত কুমাৰ দাস, মৌচুমী কন্দলী, ৰাজীৰ বৰুৱা, অনুৰাধা শর্মা পূজাৰী, প্রফুল্ল বর্মন, অজিত বৰদলৈ, মনালিছা শইকীয়া, ৰীতা চৌধুৰী, ধনদা দেৰী, বন্তি শেনচোৱা, দিলীপ বৰা, বিপুল খাটনিয়াৰ আদিৰ নাম উল্লেখযোগ্য। মাইনী মহন্তই তেওঁৰ গল্পত সমাজ বাস্তৱক সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ প্রয়াস কৰে। নাৰী মনৰ বৈচিত্র্য প্রকাশতো তেওঁ সিদ্ধহস্ত। ইমৰাণ হুছেইনৰ গল্পত চিন্তাৰ খোৰাক পাব পাৰি। মানুহৰ জীৱনক যে এক অভিনৱ দৃষ্টিৰে তেওঁ চাবৰ প্রয়াস কৰিছে, সেয়া তেওঁৰ মৌলিক দৃষ্টি। কাব্যশ্রী মহন্তৰ গল্পত মানৱতাবাদী আদর্শ প্রাণৱন্ত ভাষাত নিবদ্ধ হৈছে। নাৰীমনৰ দ্বিধা-দ্বন্দ্ব-প্রেম অপ্রেম আদিৰ বর্ণন চিত্রণতো তেওঁ দক্ষতা দেখুৱাইছে। ৰথীন্দ্র নাথ গোস্বামীয়ে অতি সাধাৰণ বিষয়বস্তুক অভিনৱ কথন ৰীতিৰে তেওঁৰ গল্পত দাঙি ধৰে। তেওঁৰো গল্পৰ প্রধান সুৰ মানবতাবাদী। চৰিত্র চিত্রণত তেওঁৰ অন্তর্মুখিতাৰ পৰিচয় পাব পাৰি। প্রশান্ত কুমাৰ দাসৰ গল্পত চৰিত্র চিত্রণৰ দক্ষতা আৰু পর্যবেক্ষণশীলতাৰ যি পৰিচয় পোৱা যায়, সি নিঃসন্দেহে প্রশংসনীয়। মৌচুমী কন্দলীৰ গল্পত মানুহৰ বহু তৰপীয়া চেতনাৰ ৰূপায়ণ বিস্মৰণীয়। তেওঁৰ গল্পৰ চৰিত্রসমূহ বৈশিষ্ট্যপূর্ণ। *তৃতীয়ত্বৰ গল্প* মৌচুমী কন্দলীৰ উল্লেখযোগ্য গল্পপুথি। ৰাজীৰ বৰুৱা, মনালিছা শইকীয়া, ধনদা দেৰী, বন্তি শেনচোৱা আৰু বিপুল খাটনিয়াৰৰ গল্পত সমকালীন সমাজ জীৱনৰ, এন্ধাৰ আৰু পোহৰ

উভয় দিশৰ প্রতিফলন সংবেদনশীল। অনুৰাধা শর্মাপুজাৰীৰ গল্পত ব্যক্তিজীৱন আৰু সমাজ জীৱনৰ নানান সংঘাত-সমস্যাৰ চিত্রণ মর্মস্পর্শী। তেওঁৰ *বসন্ত গান* সাম্প্রতিক কালৰ এখন উল্লেখযোগ্য গল্পপুথি। শর্মাপূজাৰীৰ ভাষা বলিষ্ঠ আৰু বর্ণনা ৰীতি সৌষ্ঠৱপূর্ণ। সাম্প্রতিক সময়ছোৱাত আন কেইগৰাকীমান তৰুণ তৰুণীয়ে গল্পৰচনাত ব্রতী হৈ স্বকীয় বৈশিষ্ট্যৰ নিদর্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁলোক হ'ল— নৱনীতা গগৈ, ধ্রুৱজ্যোতি শর্মা, অনামিকা বৰা, অপু ভৰদ্বাজ, সুৰঞ্জনা শর্মা, হিৰণ্য কাশ্যপ, নৱনীতা বৰুৱা, লীনা ডেকা, বসন্ত কুমাৰ হালৈ, চন্দনা পাঠক আদি। নৱনীতা গগৈৰ গল্পত সাম্প্রতিক সমাজখনৰ জটিল সমস্যাৰাজিক আন্তৰিকতাৰে নিৰীক্ষণ কৰাৰ প্রয়াস আছে। নৱনীতা গগৈ প্রগতিবাদী লেখিকা। তেওঁৰ গল্প লিখাৰ ভংগীত উত্তৰ আধুনিকতাবাদৰ চাপ আছে। নৱনীতাৰ ভাষা প্রাঞ্জল; ক'তো ক'তো প্রতীকী ব্যঞ্জনাৰে প্রোজ্জ্বল। 'অপ্রেমৰ শেষত' তেওঁৰ এটা স্মৰণীয় গল্প। ধ্রুৱজ্যোতি শর্মা, অনামিকা বৰা, অপু ভৰদ্বাজ আৰু সুৰঞ্জনা শর্মাৰ গল্পত গল্প চৰিত্রৰ অন্তর্দ্বন্দ্বৰ ৰূপায়ণ চমকপ্রদ। চন্দনা পাঠকৰ গল্পত অত্যাধুনিক কৌশলৰ প্রয়োগ সার্থক। তেওঁৰ গল্পত চৰিত্রৰ মনোজগতৰ ৰূপায়ণো সুন্দৰ।

ওপৰৰ উল্লিখিত লেখক-লেখিকাসকলৰ বাহিৰেও আন যি সকলে বিগত সময়ছোৱাত গল্প ৰচনাত প্রবৃত্ত হৈ অসমীয়া গল্প সাহিত্যক গতি আৰু ব্যাপ্তি দানত অৰিহনা যোগাইছে, সেইসকলৰ ভিতৰত যতীন গোস্বামী, চমচেৰ আলি, কৌস্তুভ মণি শইকীয়া, লীনা ডেকা, মাণিক বৰা, হেমন্ত বর্মন, হৰপ্রিয়া বাৰুকিয়াল বৰগোহাঞি, পদ্ম পাটৰ, চিত্রলেখা ফুকন, বন্দিতা ফুকন, চন্দ্রধৰ চমুৱা, বসন্তকুমাৰ ভট্টাচার্য আদি নবীন-প্রবীণ সকলৰ নাম প্রণিধানযোগ্য।

আলোচ্য সময়ছোৱাৰ চুটিগল্পৰ বৈশিষ্ট্য বিচাৰৰ প্রসংগত ক'ব পাৰি যে পূর্বৱর্তী সময়ছোৱাৰ চুটিগল্পত যিবিলাক বৈশিষ্ট্য ফুটি উঠিছিল, এই সময়ৰ গল্পসমূহতো সেই বৈশিষ্ট্যৰ প্রভাৱ পৰিলক্ষিত হয়। অৱশ্যে তাত ন ন বৈশিষ্ট্য কিছুমানো সংযোজিত হৈছিল। সামগ্রিকভাৱে যোৱা শতিকাৰ শেষৰ তিনিটা দশকৰ চুটিগল্পত পৰিদৃশ্যমান হোৱা বৈশিষ্ট্যসমূহ হৈছে—

- যোৱা শতিকাৰ শেষৰ তিনিটা দশকৰ গল্পত গল্পকাৰসকলৰ গভীৰ মানৱিক দৃষ্টিভংগীৰ প্রতিফলন ঘটা দেখা যায়।
- কাহিনীৰ উপস্থাপন আৰু চৰিত্রাংকনত আধুনিক পৰীক্ষা-নিৰীক্ষা চলোৱা।
- গদ্যশৈলীলৈ অভিনৱত্ব অনাৰ প্রয়াস।
- ব্যক্তিৰ অন্তর্জগতত সুপ্ত হৈ থকা কিছু প্রান্ত সৎসাহসেৰে বহির্জগতলৈ উলিয়াই অনাৰ প্রয়াস। এই প্রয়াস উভয় পুৰুষ আৰু নাৰী চৰিত্রৰ ক্ষেত্রত প্রযোজ্য হয়।
- যোৱা শতিকাৰ শেষৰ তিনিটা দশকৰ গল্পত 'ভাল চৰিত্র' আৰু 'বেয়া চৰিত্র'ৰ মাজত থকা স্পষ্ট ৰেখাডাল নোহোৱাৰ নিচিনা হ'ল। ব্যক্তিৰ বাহ্যিক আচৰণ যে তেওঁৰ অন্তর্জগতত তোলপাৰ লগোৱা চিন্তা বা সমস্যাৰ বহির্প্রকাশহে— তাক গল্পকাৰসকলে স্পষ্টভাৱে উপলব্ধি কৰিব পৰা হ'ল।
- আধুনিক বিজ্ঞান আৰু প্রযুক্তিৰ ন ন আৱিষ্কাৰে সাহিত্যৰ ক্ষেত্রতো পৰোক্ষভাৱে স্পর্শ

কৰিলে। এই সময়ৰ গল্পকাৰসকলৰ ৰচনাত ইয়াৰ প্ৰভাৱ বিদ্যমান। এনে গল্পই পঢ়ুৱৈসকলক বৌদ্ধিক খোৰাক প্ৰদান কৰিলে।

- আশীৰ দশকৰ আগৰ গল্পত ভুমুকি মৰা অস্তিত্ববাদ, বাস্তৱবাদ, প্ৰকৃতিবাদ, ব্যক্তিবাদ, চেতনাস্ৰোতৰ ধাৰা, ইত্যাদি যোৱা শতিকাৰ শেষৰ তিনিটা দশকৰ গল্পত পূৰ্ণ পয়োভৰেৰে পত্ৰে-পুষ্পে সমৃদ্ধ হয়।
- গল্পৰ উপস্থাপন শৈলীৰ অভিনৱত্বই এই সময়ৰ গল্পসমূহ বিশ্লেষণৰ প্ৰসংগত নতুন নতুন কৌশলৰ সন্ধান দিয়ে। ইয়ে পৰোক্ষ বা প্ৰত্যক্ষভাৱে অসমীয়া চুটিগল্পৰ সমালোচনাৰ নতুন নতুন পথৰ সন্ধান দিলে।
- ভাব-ভাষা-চিন্তা-অভিজ্ঞতাৰ স্থিতিস্থাপকতাই উত্তৰ ৰামধেনু যুগৰ চুটিগল্পক বিশিষ্ট ৰূপ প্ৰদান কৰিছে।

এই আলোচনাত আধুনিক অসমীয়া চুটিগল্পৰ ধাৰাবাহিকতা ৰক্ষাৰ প্ৰয়াসত বিংশ শতিকাৰ অন্তিম দশকটোলৈ যিসকল গল্পকাৰে নিজৰ সৃষ্টিৰ দ্বাৰা অসমীয়া চুটিগল্পৰ ক্ষেত্ৰখন সমৃদ্ধ কৰিছে তেওঁলোকৰ কৃতিৰ চমু লেখ আগবঢ়োৱা হ'ল। পৰৱর্তী সময়ছোৱাতো তেওঁলোকৰ বহুতেই অৱিহণা যোগাই থকা পৰিলক্ষিত হয়। তেওঁলোকৰ প্ৰয়াসত হাত উজান দিবলৈ ন ন প্ৰতিভাশালী গল্প লেখক-গল্প লেখিকা ওলাই আহিছে। তেওঁলোকৰ সেই প্ৰয়াস প্ৰশংসনীয়। সদৌ শেষত ক'বলগীয়া কথাষাৰ হ'ল— অসমীয়া চুটি গল্পই আৰম্ভণিৰে পৰা সাম্প্ৰতিক কাললৈকে, বিষয়বস্তু, ভাববস্তু আৰু আংগিকৰ ক্ষেত্ৰত পৰিৱর্তনৰ মাজেদি বিকাশ-বিস্তৃতি লাভ কৰি বিশ্বৰ আন আন প্ৰান্তৰ চুটি গল্পৰে সৈতে একেশাৰীত স্থান লাভৰ যোগ্যতা অর্জন কৰিছে। সুখৰ কথা যে এচাম তৰুণ তৰুণীয়ে নিজৰ সৃষ্টিক অভিনৱত্ব দান কৰিবলৈ সচেতন প্ৰয়াস কৰি সফলতা লাভ কৰিবলৈ সমর্থ হৈছে। এইচাম লেখক লেখিকাৰ চর্চা অব্যাহত থাকিলে ভৱিষ্যতে অসমীয়া চুটিগল্পই যে অভিনৱ মাত্ৰা লাভ কৰিব তাত সন্দেহৰ অৱকাশ নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ জেহিৰুল হুচেইনৰ গল্পৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ যোৱা শতিকাৰ শেষৰ তিনিটা দশকৰ চুটিগল্পত পৰিদৃশ্যমান হোৱা দুটা বৈশিষ্ট্য লিখি উলিয়াওক।

.....

.....

.....



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বৰাজোত্তৰ কালত অসমীয়া চুটিগল্পই অধিক সমৃদ্ধিশালী ৰূপত আত্মপ্রকাশ কৰে। 1951 চনৰ পৰা প্রকাশ পোৱা *ৰামধেনু* আলোচনীখনে এই ক্ষেত্রত বিশেষভাৱে উল্লেখনীয় ভূমিকা গ্রহণ কৰিছিল। প্রগতিশীল *জয়ন্তী* কাকতৰ বুকুতেই এই পৰিক্রমাৰ আৰম্ভ হৈছিল যদিও *ৰামধেনু* আলোচনীৰ পাততহে ই অধিক জনপ্রিয় তথা বিস্তাৰিত হৈ উঠে। অৰুণোদয় পৰৱৰ্তীকালতে প্রতিষ্ঠা লাভ কৰা দুই-এক গল্পকাৰৰ লগত স্বৰাজোত্তৰ যুগত আত্মপ্রকাশ কৰিলে এচাম নতুন গল্পকাৰে। এওঁলোকে বিভিন্ন ন ন আংগিক তথা বিষয়বস্তুৰে অসমীয়া চুটিগল্পক আৰু সমৃদ্ধ কৰি তোলে। আমাৰ এই আলোচনাটি আমি দুটা ভাগত ভাগ কৰি প্রস্তুত কৰিব বিছাৰিছোঁ — প্রথম পর্যায়টো হ'ল দেশে স্বাধীনতা পোৱাৰ পৰা ১৯৭০ চনলৈ বিস্তৃত আৰু দ্বিতীয়টো পর্যায় হ'ল ১৯৭০ চনৰ পৰা ২০০০ চনলৈ।
- দেশে স্বাধীনতা পোৱাৰ পৰা ১৯৭০ চনলৈ আৰু ১৯৭০ চনৰ পৰা ২০০০ চনলৈ ৰচিত গল্পসমূহৰ এটি লেখ দাঙি ধৰাৰ লগতে কোন কোন গল্পকাৰে কি কি গল্প লিখিছিল, তেওঁলোকৰ গল্পৰ বৈশিষ্ট্যসমূহ আৰু সামগ্রিকভাৱে এই দুছোৱা সময়ৰ অসমীয়া গল্পত দেখা পোৱা নতুন দিশবোৰৰ কথা এই অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।



১০.৫ অধিক জানিবলৈ

১) গগৈ, লীলা (সম্পাঃ) (২০০২); *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, ত্রৈলোক্যনাথ (২০০৬); *আধুনিক গল্প সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩) দত্ত, উদয় (১৯৯৫); *চুটিগল্প;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৫) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০০৪); *অসমীয়া গল্প সংকলন (প্রথম খণ্ড);* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৬) বৰুৱা, প্রহ্লাদ কুমাৰ (২০০৫); *অসমীয়া চুটিগল্পৰ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

৭) ভট্টাচার্য, পৰাগ কুমাৰ (১৯৯৩); *গল্পৰ প্রসংগ আৰু অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৮) শইকীয়া বৰা, লীলাৱতী (সম্পাঃ) (২০০৩); *অসমীয়া চুটিগল্পৰ প্ৰবাহ;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৯) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১০.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গল্পকাৰ আব্দুল মালিকে *আৱাহন* কাকতখনৰ জৰিয়তে আত্মপ্রকাশ কৰিছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ গল্পত সামাজিক আৰু ৰাজনৈতিক দিশৰ বৈচিত্র্যপূর্ণ ঘটনা কলাত্মক ৰূপত বিধৃত হৈছে। জৈৱিক সমস্যাৰ আধাৰতো তেওঁ কেইটামান সার্থক গল্প ৰচনা কৰিছে। এনে গল্পত ফ্রয়েদীয় মনস্তত্ত্বৰ প্রভাৱ সহজে অনুমেয়। গ্রাম্য পটভূমিত ৰচনা কৰা তেওঁৰ একাংশ গল্পৰ বর্ণনা ঠায়ে ঠায়ে কাব্যিক।

৩ নং প্রশ্নৰ উত্তৰ ঃ দেশে স্বাধীনতা পোৱাৰ পৰা ১৯৭০ চনৰ ভিতৰত ৰচিত গল্পত দেখা পোৱা দুটা বৈশিষ্ট্য হ'ল —এই সময়ছোৱাৰ গল্পকাৰসকলে সামাজিক জীৱনত সততে দেখা পোৱা ভণ্ডামিৰ বিৰুদ্ধে মুখৰ আছিল। এইদৰে তেওঁলোকে সমাজৰ 'জাগ্রত প্রহৰী' ৰূপে এক মর্যাদাপূর্ণ স্থিতি লাভ কৰিছিল। আলোচ্য সময়ছোৱাৰ চুটিগল্পই পূর্বৰ উদাৰনৈতিক মানবতাবাদী দৃষ্টিভংগী পৰিহাৰ কৰি মনঃসমীক্ষাত্মক মানৱতাবাদ আৰু বাস্তৱবাদী মানৱতাবাদ গ্রহণ কৰিলে।

৪ নং প্রশ্নৰ উত্তৰ ঃ জেহিৰুল হুচেইনৰ গল্প কোৱাৰ ভংগী আকর্ষণীয়। সমকালীন সমাজ-জীৱনক কলাত্মক ৰূপত ফুটাই তোলাত তেওঁৰ দক্ষতা মনকৰিবলগীয়া। তেওঁৰ ভাষা সহজ সৰল। ঠায়ে ঠায়ে উপমাদি অলংকাৰৰ প্রয়োগে তেওঁৰ বর্ণন চিত্রণ প্রাণৱন্ত কৰি তোলে।

৫ নং প্রশ্নৰ উত্তৰ ঃ যোৱা শতিকাৰ শেষৰ তিনিটা দশকৰ চুটিগল্পত পৰিদৃশ্যমান হোৱা দুটা বৈশিষ্ট্য হৈছে— যোৱা শতিকাৰ শেষৰ তিনিটা দশকৰ গল্পত গল্পকাৰসকলৰ গভীৰ মানৱিক দৃষ্টিভংগীৰ প্রতিফলন ঘটা দেখা যায় আৰু কাহিনীৰ উপস্থাপন আৰু চৰিত্রাংকনত আধুনিক পৰীক্ষা-নিৰীক্ষা চলোৱা পৰিলক্ষিত হয়।



১০.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পপুথি কেইখনৰ নাম লিখক।

প্ৰশ্ন ২ ঃ য়েছে দৰজে ঠংছিৰ গল্পৰ মূল বিশেষত্ব কি কি?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অৰুণ গোস্বামীৰ গল্প সম্পৰ্কে এটি চুটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন 2 ঃ চমুটোকা লিখক —

(ক) গল্পকাৰ সৌৰভ কুমাৰ চলিহা

(খ) গল্পকাৰ দেৱব্ৰত দাস

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বিংশ শতিকাৰ পঞ্চম দশকৰ পৰা বৰ্তমানলৈকে অসমীয়া চুটিগল্পৰ বিকাশ বিস্তৃতি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ স্বৰাজোত্তৰ যুগৰ অসমীয়া চুটিগল্পৰ বৈশিষ্ট্য সম্পৰ্কে দুগৰাকী গল্পকাৰৰ উল্লেখনেৰে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ প্ৰেক্ষাপটত কেনেকুৱা— আলোচনা কৰক।

*** ***** ***